# সূৰ্য্যস্নান

ভিন্নৰুচিৰ অসমীয়া মাহেকীয়া আলোচনী

প্ৰথম বছৰ : অষ্টম সংখ্যা ○ তিনি টকা ○ শ্ৰমিক দিৱস সংখ্যা

এইখন অসমতে যুৱতীক জীয়ন্তে শিয়ালে খাই মৰাৰ কৰুণ কাহিনী

আলফাৰ ভৱিষ্যৎ কি (?)

অজিত কুমাৰ ভূঞা (সম্পাদক, সাদিন ৰ মতামত

বিপন্ন শ্ৰম-ছবি ( প্ৰচ্ছদ নিবন্ধ )

কবিতা

বিপৰ্যস্ত শ্ৰম-চিত্ৰ

পৰীক্ষাৰ্থীৰ চোলা-পেণ্টল জেপত নকলৰ টুকুৰা

পৰীক্ষা সমস্যা সম্পৰ্কে সাক্ষাৎকাৰ

সনাতনৰ আকলন

শ্ৰমিক আৰু সদ্যগৃহীত লোকসভাৰ বাজেট



OKDISCD

## সূৰ্য্যস্নান

মে' ১৯৯০
প্ৰথম বছৰ, অষ্টম সংখ্যা
SURJOSNAN
An Assamese Monthly
Vol-I No-8
May, 1990

0 সম্পাদক ( অবৈতনিক )
**জীৱন সিংহ**

0 সহযোগী সম্পাদক
**প্ৰেমানন্দ শইকীয়া**

0 কাৰ্যালয়
**তুলতুল বৰা**
**অখিল ভাগৱতী**

0 প্ৰচাৰ
**হিৰণ্য মহন্ত**

0 বিজ্ঞাপন সচিব
**কবীন ভাগৱতী**
**তুতুমণি বৰা**

0 ব্যৱস্থাপনা (অবৈতনিক)
**কমলেশ্বৰ কলিতা**

0 প্ৰকাশিকা
**অনু কোঁৱৰ**

0 কাৰ্যালয়
সূৰ্য্যস্নান কাৰ্যালয়
নগাঁও প্ৰিণ্টাৰ্চ,
চাৰ্চৰোড, নগাঁও (অসম)
৭৮২০০১

0 **ছপা** ঃ পঞ্চৰত্ন প্ৰিণ্টাৰ্চ
হৈবৰগাঁৱ/ৰেবেজীয়া, নগাঁও (অসম)

0 বেটুপাতৰ শিল্পী ঃ
ধনঞ্জয় শৰ্মা


## সম্পাদকীয়

মাৰ্ক্সৰ মতে শ্ৰম হৈছে মৃত পুঁজি। পুঁজিপতি সকলে শ্ৰমিকৰ পৰা যিমানেই বেছি শ্ৰম কম মূল্যত আদায় কৰিব পাৰিব সিমানেই পুঁজিপতিৰ ধনৰ ভৰাল ডাঙৰ হ'ব। ভৰাল বঢ়াবলৈ মালিক সকলে শ্ৰমিকৰ স্বাৰ্থৰ কথা কেতিয়াও নাভাবে। শ্ৰমিক সকলৰ দাসত্বই ৰূপদান কৰে মালিক পক্ষৰ ভোগ বিলাস লালসাৰ কামনাক। দাসত্ব আৰু শোষণৰ বলি শ্ৰমিক সকলে কামৰ সময় ১২ ঘণ্টা / ১৪ ঘণ্টাৰ পৰিবৰ্তে ৮ ঘণ্টা কৰিবৰ বাবে দাবী জনাই প্ৰথম বাৰ সংগঠিত হৈ আন্দোলন গঢ়ি তোলে আমেৰিকা যুক্তৰাষ্ট্ৰত। মালিক পক্ষ আৰু চৰকাৰৰ অকথ্য নিৰ্যাতন আৰম্ভ হ'ল সংগ্ৰামী শ্ৰমিক সকলৰ ওপৰত। বহু শ্ৰমিক নিহত হ'ল আৰু বহু ঘূণীয়া হ'ল। তাৰ পিছত ১৯৮৯ চনৰ ১৪ জুলাইত দ্বিতীয় কমিউনিষ্ট আন্তৰ্জাতিকৰ পেৰিচ কংগ্ৰেছত গ্ৰহণ কৰা সিদ্ধান্ত মৰ্মে ১৮৯০ চনৰ ১ মে দিনটো সমগ্ৰ আমেৰিকাতে শ্ৰমিক দিৱস হিচাবে উদ্‌যাপন কৰিবলৈ স্থিৰ কৰা হয় আৰু কালক্ৰমত এই দিনটো বিশ্বৰ শ্ৰমিক দিৱস হিচাবে পৰিগণিত হয়।

আজি পশ্চিমীয়া দেশ সমূহত শ্ৰমিক শ্ৰেণী এটা চহকী শ্ৰেণীলৈ ৰূপান্তৰিত হৈছে। তাৰ তুলনাত ভাৰতৰ কেইটামান ডাঙৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বাদে আন সকলো শ্ৰমিকে অতি দুখীয়া আৰু অস্বাস্থ্যকৰ জীৱন যাপন কৰিছে ব্যক্তিগত খণ্ডৰ উদ্যোগ সমূহ আৰু ৰাজহুৱা লঘু উদ্যোগ সমূহত নিয়োজিত শ্ৰমিক সকলৰ জীৱন যাপনৰ মানদণ্ড অতি শোক লগা। অতীতৰ পৰা বৰ্ত্তমানলৈকে এই সকল অনিশ্চয়তা লাঞ্চনা, দাসত্ব আৰু নানা প্ৰকাৰৰ শোষণৰ কবলত নিমজ্জিত। কোনো চৰকাৰী আইন আৰু সংস্কাৰৰ নীতিয়ে নিৰাপত্তাৰ নিশ্চয়তা দিব পৰা নাই।

সম্প্ৰতি ভি, পি, সিং চৰকাৰে শ্ৰমিক সকলৰ বাবে দুটা সংস্কাৰৰ ঘোষণা আগবঢ়োৱা আমাৰ দৃষ্টিগোচৰ হৈছে। এটা হৈছে কাম কৰাৰ অধিকাৰ আৰু আনটো হৈছে শ্ৰমিক শ্ৰেণীক উদ্যোগৰ মালিকীস্বত্বৰ অংশীদাৰ তথা পৰিচালনাৰ অংশীদাৰ কৰা। প্ৰথমটোৰ দ্বাৰা নিয়োগ ক্ষেত্ৰৰ পৰা শ্ৰমিকক অপসাৰিত কৰা, দৰমহা নিদিয়াকৈ কামত লগোৱা, অন্যায়ভাৱে নিলম্বিত কৰা আৰু নিবনুৱা সকলক নিয়োজিত নকৰাকৈ ৰখাত বাধা দিব।

ভাৰতৰ অধিকাংশ উদ্যোগেই ব্যক্তিগত খণ্ডৰ। তদুপৰি ভাৰতীয় সাংবিধানিক ব্যৱস্থাটোৰ বহুতো ফাঁক আছে, যাৰ দ্বাৰা এই আইন কেইখন কাৰ্যকৰী কৰাত সফল নহ'ব। গতিকে এই ঘোষণা নতুন চৰকাৰখনৰ জনপ্ৰিয়তা অৰ্জনৰ শ্লোগানৰূপী এপাট অস্ত্ৰৰ বাদে যে আন একো নহয় তাক সময়ে নিশ্চয় প্ৰমাণ কৰিব।

আজি মে দিৱসৰ পতাকাৰ তলত অ-সংগঠিত শ্ৰমিকৰ পৰা আৰম্ভ কৰি শ্ৰমিক বিৰোধী সংগঠন সমূহো সমবেত হৈ শ্ৰমিক আন্দোলনৰ বক্তৃতা দিয়ে, পৰিকল্পনা কৰে। শোভাযাত্ৰা আৰু ৰাজহুৱা সভাৰে শ্ৰমিকৰ অৱস্থাৰ পৰিবৰ্ত্তন কৰিব বিচাৰে। কিন্তু ভাৰতীয় শ্ৰমিকৰ অৱস্থাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই আৰু এতিয়া সুবিধাবাদীৰ নেতৃত্বত গঢ়ি উঠা শ্ৰমিক সংগঠন সমূহৰ আন্দোলনে সদায় অভিজাত শ্ৰেণীৰ, মিল-মালিকৰ সকল আৰু তেওঁলোকৰ বহুতীয়া আঞ্চলিক দলবোৰৰহে স্বাৰ্থ পূৰণ কৰিছে।



### সাক্ষাৎকাৰ

# আলফাৰ ভৱিষ্যত কি ?

অজিত **কুমাৰ ভূঞা**, সম্পাদক ( সাদিন )

( সম্প্ৰতি অসমত প্ৰৱল জনপ্ৰিয়তা লাভ কৰা সংগঠন "সংযুক্ত মুক্তি বাহিনী" (আলফা)ৰ ভৱিষ্যত সম্পৰ্কে জানিবলৈ আমি অসমৰ কেইজনমান বুদ্ধিজীৱীৰ কাষ চাপিছিলোঁ। ইতিপূৰ্বে প্ৰকাশিত ড০ হীৰেণ গোঁহাইদেৱৰ সাক্ষাৎকাৰটিৰ পিছতে এই সংখ্যাত অজিত কুমাৰ ভূঞাৰ সাক্ষাৎকাৰটি প্ৰকাশ কৰা হ'ল। সাক্ষাৎ গ্ৰহণ কৰিলে— হৰি চৰণ দাসে। )

**প্ৰশ্ন ঃ** ১) আলফা সংগঠনটোৰ জন্মৰ কাৰণ কি বুলি আপুনি ভাবে ? সংগঠনটোৰ জন্মই আপোনাৰ মনত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ?

**উত্তৰ ঃ** শোষণ ভিত্তিক সমাজ ব্যৱস্থা এটা যেতিয়ালৈকে বৰ্তি থাকিব, তেতিয়ালৈকে আলফাৰ দৰে সংগঠনৰ জন্ম একো অস্বাভাৱিক কথা নহয়। এক সঠিক বিপ্লৱী ৰাজনীতিৰ অনুপস্থিতিত অসমৰ মধ্যবিত্ত আৰু নিপীড়িত মানুহখিনিয়ে অসম আন্দোলনৰ জৰিয়তেই এক পৰিবৰ্তন আশা কৰি পেলাইছিল। অসম আন্দোলনৰ তাৎপৰ্য্যও এইখিনিতেই আছিল যে আৰম্ভণিতে ই প্ৰধানকৈ কেন্দ্ৰ বিৰোধী আছিল। কিন্তু মধ্যবিত্ত সুলভ নেতৃত্বই অৱশেষত বিভিন্ন শক্তিৰ মতে আপোচ কৰি পেলোৱাত আন্দোলনটো লক্ষ্য ভ্ৰষ্ট হ'ল। পুলিচ মিলিটেৰী অথবা ৰাষ্ট্ৰযন্ত্ৰৰ দমন নিপীড়ণে আন্দোলনত জড়িত বহু যুৱকক স্বাভাৱিকতে বন্দুকৰ প্ৰতি আকৰ্ষিত কৰিলে। মনত ৰাখিব লাগিব যে কাৰ্য-সূচীত সদায়ে প্ৰথম বন্দুকক স্থান দিয়ে শাসক অথবা শোষক গোষ্ঠীয়েই। অসম আন্দোলনৰ সময়ত ৰাইজে "গণতন্ত্ৰ"ৰ স্বৰূপ ভালকৈয়ে উপলব্ধি কৰিলে। আলফাৰ জন্ম অসম আন্দোলনৰ গৰ্ভতে যদিও মই কিন্তু ভাবো যে অসম আন্দোলন নোহোৱা হলেও আলফাৰ দৰে সংগঠনৰ জন্ম হ'লহেতেন! হয়তো অলপ পলম হ'লহেঁতেন। ৰাজ্যখনৰ লক্ষ-লক্ষ নিবনুৱা যুৱকৰ আজি ভৱিষ্যত কি ? অন্ধকাৰৰ বাদে তেওঁলোকৰ সন্মুখত আন কিবা আছেনে ? সঠিক ভাবে ৰাজনৈতিক দৰ্শন এটা যুৱক সকলৰ সন্মুখত দাঙি ধৰিবলৈ কোনোবা সক্ষম হৈছেনে ? ৰাজনৈতিক দলবোৰে এতিয়ালৈকে কাৰ স্বাৰ্থপূৰণ কৰিছে। এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি গলেও আলফাৰ দৰে সংগঠনৰ জন্মৰ কাৰণ কিছু অনুভূত হয়।

এই সংগঠনে এতিয়া প্ৰায় সকলোৰে মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আলফাৰ জন্মই মোক অৱশ্যেই বহু কথা ভবাই তুলিছে। ৰাজনৈতিক দৰ্শনৰ প্ৰশ্নত, মতাদৰ্শগত সংগ্ৰামৰ প্ৰশ্নত সংগঠনটো কেতবোৰ অসুবিধাৰ মুখা মুখি হৈছে যেন মোৰ ধাৰণা হৈছে। এনেবোৰ মূল প্ৰসঙ্গ সঠিক ভাবে নিৰূপিত নহলে বহু যুৱকৰ শক্তি অথলে যাব আৰু এক নেতিবাচক বিদ্ৰোহলৈ ই ৰূপান্তৰিত হব।

**প্ৰশ্ন ঃ** ২) আলফাৰ কাৰ্যপন্থা আৰু উদ্দেশ্য সম্বন্ধে আপোনাৰ মতামত কি ?

**উত্তৰ ঃ** সচেতন মানুহৰ মাজত আলফাৰ কাৰ্যপন্থা আৰু উদ্দেশ্য সম্বন্ধে এক গভীৰ বিচাৰ বিশ্লেষণ হোৱাটো অৱশ্যেই প্ৰয়োজনীয়। শ্ৰেণী সংগ্ৰামৰ প্ৰশ্নত আলফাৰ স্থিতি পৰিস্কাৰ বুলি মোৰ মনে নধৰে। নিপীড়িত সকলো শ্ৰেণীৰ ঐক্য অবিহনে স্বাধীন অসমৰ কথা কোৱাতো কিমান বিজ্ঞানসন্মত হৈছে সেই বিষয়ে মোৰ সন্দেহ আছে। শোষণ ভিত্তিক সমাজ এখনৰ বিলুপ্তিৰ বাবে বৰ্তমান ৰাষ্ট্ৰ

(বাইশ পৃষ্ঠাত চাওক)

OKDISCD

বিশেষ নিবন্ধ

# বিপৰ্য্যস্ত শ্ৰম চিত্ৰ (এক)

নিজস্ব প্ৰতিবেদক

"ঘৰ বুলি কব নোৱাৰি, কোনোমতে মূৰ গুঁজি থাকিব পৰাকৈ সাজিলোৱা বাঁহ এটা। ... মাটিৰ মজিয়া, ফটা ছালি, শেলুৱৈয়ে ধৰা দেৱাল, ঘৰৰ এচুকত এখনেই বিছনা তাত তিনিটা পয়ালগা কেচুৱা নিঃপালি দিছে।" এইয়া আৰভিং ষ্টোনে লিখা ভিনসেন্ট ভেন গখৰ জীৱনীৰ "লাষ্ট ফৰ লাইফ"-ৰ এটা অংশ। খনি শ্ৰমিক ডিক্ৰুকে ভিন সেন্টক কৈছে, 'এই বৰিনেজত আমি কেৱল দাসত্বই নকৰো, আমাৰ জীৱনযাত্ৰা পশুতকৈয়ো অধম।'

ভিনসেন্টে দেখা কয়লাখনি শ্ৰমিক সকলৰ এই অবৰ্ণনীয় দুৰ্দশা বহুকাল আগৰ। তাৰ পিছত বহু বছৰ উকলি গৈছে। শ্ৰমিক আন্দোলনৰ অনেক উত্থান পতন ইতিমধ্যে অতিবাহিত হৈছে। কিন্তু আজিও ভাৰতবৰ্ষৰ শ্ৰমিক সকলৰ দুৰ্দশা ভিন সেন্টৰ অভিজ্ঞতাৰ সৈতে আচৰিত ধৰণে মিল আছে। নানা ধৰণৰ প্ৰচাৰ, কিতাপ, শ্ৰমিক কল্যাণৰ বহু ঢাক-ঢোল বজোৱা পৰিকল্পনা আৰু প্ৰতিশ্ৰুতিৰ মায়াজালৰ মাজৰ পৰা উপলব্ধি কৰা নিৰ্মম সত্যটি হ'ল ভাৰতীয় শ্ৰমিক সকল পৰাধীনতাৰ কঠোৰ শৃংখলত চিৰকাল আৱদ্ধ, যাৰ সমাপ্তি একমাত্ৰ মৃত্যু।

ঠিকাদাৰৰ অধীনত ৰাস্তা আৰু দলং মেৰামতি কৰা বনুৱা, প্ৰেছ কৰ্মচাৰী, কোৱেৰীৰ শ্ৰমিক সকল, চাহ দোকানৰ কৰ্মচাৰী, কাঠফলা মিলৰ বনুৱা, বিভিন্ন কল-কাৰখানা আদিত কাম কৰা শ্ৰমিক, কয়লাখনিত শ্ৰম দি জীৱন নিৰ্বাহ কৰা শ্ৰমিক ইত্যাদি সকলো শ্ৰমিকৰেই বাস্তৱ জীৱনটো শোষণ আৰু পৰাধীনতাৰ শিকলিৰে বন্ধা। দৰিদ্ৰতা অসুস্থতা, ঋণ আৰু অন্ধকাৰ ভৱিষ্যত এটাকে সাৰটি লৈ কটাব লগীয়া হয় প্ৰতিটো দিন। অধিকাংশই হতাশা আৰু ভৱিষ্যতৰ নিৰাশা ভৰা ছবিখন খন্তেকৰ বাবে পাহৰিবলৈ বিচাৰে মদেৰে।

আজিৰ এই লেখনিত পৃথিৱীৰ অন্যতম আদিম জীৱিকা-- কয়লা শিল্প আৰু তাৰ সৈতে জড়িত শ্ৰমিক সকলৰ অবৰ্ণনীয় দুখ-দুৰ্দশাৰ এক সামান্য আভাষ চমুকৈ দিব বিচাৰিছো।

১৯৪৬ চনত K. C. Mohindra comittee য়ে ভাৰতীয় কয়লা ক্ষেত্ৰ সম্পৰ্কে বিপৰ্টত কৈছিল--- Over much of industry, the conditions of labour are still in a shocking state, living accomodation is inadequate and deplorable, educational and medical facilities are scant and few amenities exist to relieve the strain and tedium of work underground,"

(আঠ পৃষ্ঠাত চাওক)



প্ৰচ্ছদ নিবন্ধ

# বিপন্ন শ্ৰম-ছবি

কেশৱ চন্দ্ৰ ভাগৱতী

ভাৰতীয় সমাজ এক অৰ্ধ-ঔপনিবেশিক সমাজ। কি কৃষি কি উদ্যোগ সকলোতে এক বহতীয়া আমোলাতান্ত্ৰিক পুঁজিবাদী চৰিত্ৰই সদায়েই নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰি আহিছে। অসমো এই সামগ্ৰীক ব্যৱহাৰৰ অঙ্গ যিহেতু, অসমীয়া সমাজতো শ্ৰমিক কৃষকৰ সামাজিক পৰিচয়টো ভাৰতীয় শ্ৰমিক কৃষকৰ পৰিচয়ৰ পৰা পৃথক নহয়। অসমত শ্ৰমজীৱি জনগণৰ ৬০-৭০% হল দৰিদ্ৰ কৃষক আৰু তাৰ বিপৰীতে কৃষিভিত্তিক উদ্যোগ বিভিন্ন সৰু আৰু মজলীয়া কাৰখানা আৰু অনান্য খণ্ডত কাম কৰা হাজিৰা ভিত্তিক শ্ৰমিকৰ সংখ্যা দেখাত তাকৰ যদিও একেবাৰে নগণ্য নহয়। গ্ৰাম্যাঞ্চলত দৰিদ্ৰতাৰ ক্ৰমবৰ্ধমানৰ পৰিণতিত বিপুল সংখ্যক শ্ৰমজীৱিৰে নগৰমুখী প্ৰৱণতাই নতুন নতুন শ্ৰমিকৰ জন্ম দিছে আৰু ওপৰ থকুৱা বহতীয়া মালিকানাৰ শোষন নিয়মিত বাঢ়ি গৈছে। জাতীয় আবেগৰ গইনা লৈ শাষক শ্ৰেণীয়ে অহৰহ উদ্যোগ প্ৰতিষ্ঠান সমূহৰ শ্ৰমিক শ্ৰেণীৰ মাজত বিভাজনৰ নীতি প্ৰৱৰ্ত্তন কৰিছে আৰু বিভিন্ন খণ্ডত শ্ৰমিকৰ মাজৰ ঐক্যৰ প্ৰতি ই এক ভাবুকি স্বৰূপ হৈ উঠিছে। বৰ্ত্তমান অৱস্থালৈকে টিকি থকা ভিন ভিন শ্ৰমিক সংগঠনসমূহৰ ঐক্য ৰাজনৈতিক কাৰণতে সম্ভৱ হৈ নুঠা আৰু কেতবোৰ খণ্ডত শ্ৰমিকৰ কোনো উমৈহতীয়া মঞ্চ নথকা হেতু বিভিন্ন নিষ্পেষণ আৰু দমনৰ প্ৰত্যুত্তৰ স্বৰূপে শ্ৰমিক গোট সমূহে সঠিক প্ৰতিবাদ কৰিব নোৱাৰাটো একপ্ৰকাৰ ভাৰতীয় শ্ৰমজীৱি জনগণৰ বাবে দুৰ্ভাগ্যজনক পৰিস্থিতি

সম্প্ৰতি এই নিবন্ধৰ প্ৰাসঙ্গিকতালৈ লক্ষ্য ৰাখি জনোৱা এক অনুসন্ধানমূলক সমীক্ষাই দেখুৱাইছে যে ভিন ভিন ব্যৱসায়ৰে সৈতে জড়িত শ্ৰমিক সকলৰ সমস্ত ক্ষোভ মূলতঃ মজুৰিৰ হাৰ বৃদ্ধি আৰু তেওঁলোকৰ শ্ৰম দক্ষতাৰ সঠিক মূল্যায়ণৰ ওপৰতে কেন্দ্ৰীভূত।

আজি অসমত কৃষিয়েই হওক বা উদ্যোগেই হওক মূল উৎপাদন প্ৰক্ৰিয়াটো শ্লথ হৈ উঠাৰ সামগ্ৰিক কাৰণটো নিৰ্ণয়ত শাসকবৰ্গ ব্যৰ্থ হৈছে আৰু সমাজৰ প্ৰগতিশীল বামপন্থী শিবিৰতো এক অবুজ কাৰণতে নহওক কিয় আওকণীয়া মনোভাৱে গঢ় লৈছে। এনে এক জাতীয় পৰিস্থিতিত গঞা হজুৱা বনুৱাৰ এক বিপুল অংশ চহৰমুখী হৈছে অথবা নগৰকেন্দ্ৰিক উপাৰ্জন প্ৰক্ৰিয়াত গা এৰি দিছে। চহৰ অঞ্চলত দিনক-দিনে বাঢ়ি অহা ৰিক্সা ঠেলাগাড়ী আদি চলোৱা লোক, আলিবাটত শিল ভঙা শ্ৰমিক অথবা মাটি কটা বনুৱা শ্ৰেণীৰ মাজত অসমীয়াৰ অন্তৰ্ভুক্তিয়ে ক্ৰমাত যে আৰ্থিক জীৱনটো সুলকি থান বান হৈছে আৰু প্ৰচলিত অৰ্ধ-সামন্ততান্ত্ৰিক গ্ৰাম্য সমাজ ব্যৱস্থাটোৰ ওপৰতে পুনৰ নতুন শক্তিয়ে পোখামেলি শোষণৰ মাত্ৰা বঢ়াই তুলিছে তাকেই প্ৰমাণ কৰে। নগাওঁ, যোৰহাট, তেজপুৰ, নলবাৰী আদিৰ দৰে প্ৰায় প্ৰত্যেকতে ৰিক্সাৰ সংখ্যা আঢ়ৈ হাজাৰৰ পৰা তিনিহাজাৰ পৰ্যন্ত হোৱা দেখা গৈছে; সেইদৰে ঠেলাগাড়ীৰ সংখ্যাও এক দেড়হাজাৰ হৈছেগৈ। অসমৰ প্ৰায় সমূহ গ্ৰাম্যাঞ্চলতে সেইদৰে ৰিক্সা ঠেলাৰ ওপৰতে নিৰ্ভৰশীল হোৱা শ্ৰমিকৰ সংখ্যা ক্ৰমাত বাঢ়িব ধৰিছে। নগৰ অঞ্চলত এই নিচিনা শ্ৰমিক সকলৰ সংগঠিত শক্তি একোটা আছে যদিও শ্ৰমিকৰ নিৰাপত্তা, জোৰ জুলুমৰ প্ৰতিবাদ অথবা বিভিন্ন অৱস্থা নিয়ন্ত্ৰণত সিবিলাকৰ ভূমিকা সন্তোষজনক নহয়। ৰিক্সা ঠেলা আদি শ্ৰমিক সংগঠনৰ নেতৃস্থানীয় লোক সক-

OKDISCD

লেই স্বীকাৰ কৰা দেখা যায় যে শ্ৰমিকৰ নিৰাপত্তাৰ প্ৰশ্নত সংগঠন প্ৰায়েই ব্যৰ্থ হ'বলগীয়া হয়। এনেক্ষেত্ৰত চৰকাৰৰ ঘৰৰ পৰাও কোনো সু-নিৰ্দিষ্ট সহযোগিতা নাই আৰু নথকাই স্বাভাৱিক। দেখাত থেলাৱালা বা ৰিক্সাৱালাৰ নিৰাপত্তাৰ অৰ্থে চৰকাৰী আইন কানুন আছে কিন্তু সি যে স্বৰূপতে প্ৰহসন আৰু ভাৰতীয় বহুভীয়া দালাল শ্ৰেণীৰে অনুকূলে তাক নকলেও হয়। পথৰ দূৰত্ব অনুসৰি এনে পৰিবহন (carries) ৰ নিৰ্ধাৰিত মূল্যসূচী আছে যদিও সি বাস্তৱসন্মত নহয়। উদাহৰণ স্বৰূপে চৰকাৰী হাৰত প্ৰতি কিলোমিটাৰ বাটত এগৰাকী ৰিক্সাৱালাই ০.৭৫ পাব পাৰে; কিন্তু এনে হাৰত ৰিক্সা চলোৱা এই শ্ৰমিকজনৰ বাস্তৱ পৰিস্থিতি সন্মত নহয়। ইয়াৰ কাৰণ নিত্যপ্ৰয়োজনীয় বস্তুৰ মূল্যসূচীৰ ক্ৰমবৰ্ধমান অৱস্থা। গতিকে চহৰাঞ্চলত একোজন লোকৰ নিম্নতম জীৱন ধাৰণৰ মানৰ ওপৰত চকু ৰাখি এই নিৰিখ নিৰ্ধাৰণ কৰা হোৱা নাই অথবা পূৰ্বৰ নিৰিখেই চলতি অৱস্থাত আছে বাবে শ্ৰমিকজনৰ বাবে ই প্ৰকৃত পাৰিশ্ৰমিক নহল। এইদৰে আসোঁৱাহ পূৰ্ণ অৰ্থনৈতিক ব্যৱস্থাই শ্ৰমিকসকলৰ মূৰত মাধমাৰ মাৰিব ধৰিছে। সংগঠিত ৰূপত ইয়াৰ পূৰ্ণ প্ৰতিবাদ অথবা শ্ৰমিক বিক্ষোভো সহজে চকুত নপৰা বিধৰ এখন গাৱঁৰ এগৰাকী ৰিক্সা চালকৰ পৰা এই সম্বন্ধে থকা ধাৰণাৰ বুজ লওতে প্ৰত্যুত্তৰত তেওঁ কয় যে 'ৰিক্সাৱালাৰ সংগঠন কৰি লাভ নাই। ওপৰতে কোনোবা নেতা ওলাই আমাৰ বৰঙণি খিনি খাব। তাৰ বাহিৰে সঠিককৈ চৰকাৰৰ পৰা কোনো সুবিধা লৈ দিব নোৱাৰে। ।" এই শ্ৰমিকজনৰ এনে বক্তব্যৰ আঁৰত কি প্ৰতিক্ৰিয়া লুকাই আছে মন কৰক! প্ৰথমতে তেওঁ নিজৰ কৰ্ত্তব্য সম্বন্ধে যিমান সচেতন নহয় অৰ্থাৎ ৰাজনৈতিক শিক্ষাৰ অভাৱ ইয়াৰ মূল কাৰণ; দ্বিতীয়তে আমোলাতান্ত্ৰিক চৰিত্ৰৰ নেতৃত্বৰ আঁসোৱাহ সম্পৰ্কে এটি ইংগিত অৰ্থাৎ সমগ্ৰ ৰাষ্ট্ৰ ব্যৱস্থাটোৰেই প্ৰতিফলন আৰু ব্যৱস্থাটোৰ ওপৰত থকা অবিশ্বাস ধ্বনিত হৈছে। মুঠতে স্পষ্ট দিক্ নিৰ্দেশনা আৰু সুষ্ঠ ৰাজনৈতিক ধাৰণা অবিহনে যে তেওঁলোকৰ সমস্যা সমাধানৰ বাবে প্ৰতিবাদী সুৰ জাগৰিত নহ'ব সি ধ্ৰুৱ।

আন এক সমীক্ষাত দেখা গৈছে যে অসমত যিমান ক্ষুদ্ৰ আৰু মজলীয়া শ্ৰেণীৰ হোটেল ৰেষ্টোৰা আদিত কাম কৰা শ্ৰমিক আছে তেওঁলোকৰ সৰহ সংখ্যকৰ আমদানি ঘটে গ্ৰাম্যাঞ্চলৰ পৰা। একোখন হোটেল বা ৰেষ্টোৰাৰ কৰ্মচাৰীখিনিক মোটামুটিকৈ চাৰিটা মান শ্ৰেণীত ভাগ কৰিব পাৰি— ক) কাৰিকৰ বা ৰান্ধনি, খ) বিক্ৰেতা বা পৰিচালক গ) যোগালী আৰু ঘ) চাফ্ চিকুণ আদি কাম কৰা ল'ৰা। সৰু হোটেল আদিত শেষৰ দুই ধৰণ কৰ্মীৰ মাজত বিশেষ প্ৰভেদ নাথাকে। প্ৰকৃততে এই শ্ৰমিক সকলক এনেদৰে ভাগ কৰি ৰাখিব পৰা হোটেল তেনেই কম। বেছিভাগতে একেজন মানুহেই কাৰিকৰ, যোগালী আদিৰ কামো সময়ে সময়ে চলাব লাগে। হোটেল কৰ্মী সকলৰ ওপৰত চলা নিৰ্য্যাতন, শোষণ আৰু অত্যাধিক পৰিশ্ৰমৰ প্ৰতিবাদ কৰিব পৰাকৈ কোনো স্বতন্তৰীয়া সংগঠন বৰ্ত্তমানলৈকে নাই যেন লাগে। স্বৰূপতে এনে কৰ্মচাৰীৰ শিক্ষা কম আৰু মালিকৰ কৰুণাৰ ওপৰতে সকলো নিৰ্ভৰশীল হেতু মূৰ তুলি কথাকোৱাৰ সাহসো নাই। আটাইতকৈ দুখজনক কথা হ'ল— দিনটোত ওঠৰ বিশ ঘণ্টাকৈ তেওঁলোকে কাম কৰে আৰু বাকীখিনি সময়ত নতুন কিবা কৰাৰ চিন্তাৰো কোনো অৱকাশ নাথাকে আৰু বাধ্য হৈয়েই তেওঁলোকৰ অভাৱ অভিযোগ সংগঠিত কৰাত প্ৰকাশ কৰিব নোৱাৰা হয়গৈ। পৌৰসভাধীন একোখন সৰু চহৰতে মজলীয়াৰ পৰা ক্ষুদ্ৰ হোটেল চাৰি পাঁচশতকৈও অধিক হোৱা স্বত্ত্বেও ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত এই হোটেল শ্ৰমিক সকলে নিজস্ব ৰক্ষণা-বেক্ষণৰ কোনো সাংগঠনিক উদ্যোগ হাতত লব নোৱাৰাৰ মূল কাৰণেই হৈছে আৰ্থিক আৰু



পৰোক্ষ ৰাজনৈতিক অৱস্থা। ভালেমান হোটেল শ্ৰমিকক লগ ধৰি বুজ লোৱাৰ পিছত তেওঁলোকৰ মূল দাবীবোৰ সম্বন্ধে এখন তালিকা কৰিলে এনে হয়—

ক) নিয়োগ পত্ৰৰ ব্যৱস্থাৰ আৱশ্যকতা

খ) কামৰ সময় নিৰ্ধাৰণ; আৱশ্যক অনুসৰি পৰিপূৰক কৰ্মীৰ নিয়োগৰ দ্বাৰা Shifting Duty ৰ ব্যৱস্থা কৰা

গ) দৰমহা সহ ছুটীৰ ব্যৱস্থা

ঘ) জীয়াই থকাৰ উপযোগীকৈ নিম্নতম মজুৰিৰ ব্যৱস্থা

ঙ) কামৰ শ্ৰেণী অনুসৰি মাহিলি বেতনৰ সমমান নিৰ্ধাৰণ

চ) অতিৰিক্ত কামৰ বাবে অতিৰিক্ত মজুৰিৰ ব্যৱস্থা

ছ) শ্ৰমিকৰ নিৰাপত্তা ইত্যাদি—

ৰিক্সা, থেলা আৰু সৰু দোকান কৰ্মীৰ এটি সন্থাৰ এগৰাকী মুখপাত্ৰৰ মতে চাহ হোটেলৰ কৰ্মচাৰী সকলৰ জীৱনৰ মানদণ্ড অতি নিম্নমানৰ থকা খোৱা শোৱাৰ ঠিকনাহীন এই শ্ৰমজীৱি সকলে সাধাৰণতে ৰাতি দুপৰত হোটেলৰ বেঞ্চতে এটুকুৰা শুকান ৰুটিকে খাই আঠুৱাহীন অৱস্থাতে ৰাতিটো পাৰ কৰে আৰু পুৱতিৰ লগে লগে পুনৰ গতানুগতিক ধাৰাবাহিকতা আৰম্ভ হয়। একেজন লোকৰ পৰাই মালিকে খৰিফলা, ৰন্ধা, পানী অনা আৰু বিভিন্ন কাম আদায় কৰি লয় আৰু মুনাফাৰ সিংহভাগ মালিকে ভোগ কৰে। অথচ শ্ৰমিকৰ মুখ খোলাৰ কোনো উপায়ো নাথাকে।

এখন মানদণ্ড সম্পন্ন বৃহৎ হোটেলৰ এগৰাকী স্বত্বাধিকাৰীক এই সম্বন্ধে সোধা কেতবোৰ প্ৰশ্নৰ উত্তৰত তেখেতে দিয়া উত্তৰৰ থূলমূল বিৱৰণ এনে—

অসমত সৰ্বভাৰতীয় মানদণ্ড পৰ্য্যায়ৰ হোটেল তিনি চাৰিখনতকৈ বেছি নহয়— কিন্তু সৰু আৰু মজলীয়া হোটেল অনুমান কৰিব নোৱাৰা বিধৰ। প্ৰায় ২৫-৩০ খনমান উচ্চখাপৰ হোটেল অৱশ্যে আছে। এইবোৰ হোটেলৰ মেনেজমেণ্ট ভাল। কৰ্মচাৰীও কেইৱা খলপীয়া। সৰু হোটেল বিলাকৰ একোজন কৰ্মীয়ে বিভিন্ন কাম কৰাৰ বিপৰীতে ডাঙৰ হোটেল বিলাকৰ কৰ্মচাৰীৰ অৱস্থা কিছু ভাল। ডাঙৰ হোটেলত ৰান্ধনি, কোঠা পৰিচালক (Room boy) সাধাৰণ কৰ্মী (boy), অফিচ সহকাৰী, মেনেজাৰ, নিৰীক্ষক আদি বিভিন্ন বিধৰ কৰ্মীৰ ভাগ থাকে আৰু প্ৰতি ভাগতে একাধিক কৰ্মী নিয়োজিত হয়। উন্নত মানৰ এই হোটেলবোৰত কৰ্মচাৰীৰ দৰ্মহা মোটামুটি ভাল। অন্ততঃ মাহিলী নিম্নতম ৫০০-৭০০ টকা আৰু উচ্চতম ৩০০০ টকালৈকে বুলি অনুমান কৰিব পাৰি। তাৰ বিপৰীতে সৰু হোটেলবোৰত ৫ টকাৰ পৰা পঁচিশ টকীয়া শ্ৰমিক কৰ্মীকহে বেছি দেখা যায়। ডাঙৰ হোটেলৰ কৰ্মীৰ ভবিষ্যত নিৰাপত্তাও আছে। যেনে— ভৱিষ্য নিধি, থকা খোৱাৰ সু-ব্যৱস্থা ইত্যাদি—

ছপাশাল কৰ্মীৰ মাজত অনুসন্ধান চলাই দেখা গৈছে যে অসমত বৰ্ত্তমানলৈকে বৰ্তি থকা ক্ষুদ্ৰ আৰু মজলীয়া বিধৰ একোটা ছপা শালত একোজন শ্ৰমিকে (কম্পজিটৰ, মেচিন মেন আদি) কমেও সাত আঠ ঘণ্টাকৈ কাম কৰে আৰু কামৰ হেঁচা বাঢ়িলে পোন্ধৰ যোল্ল ঘণ্টা পৰ্যন্ত কাম কৰাৰ নজিৰ আছে। চৰকাৰক দাবী কৰা নিৰিখ অনুযায়ী একোজন ছপাশাল কৰ্মীৰ মজুৰিৰ এনে ধৰণৰ— (মাহিলি হাৰত)

| | | | |
|---|---|---|---|
| কম্পজিটৰ : | | ১ম শ্ৰেণী | ৯০০.০০ টঃ |
| মেচিন চালক : | নিম্নতম | ২য় শ্ৰেণী | ৮১০.০০ টঃ |
| বাইণ্ডাৰ : | নিৰিখ | ৩য় শ্ৰেণী | ৭৫০.০০ টঃ |
| পিয়ন : | | | ৭৫০.০০ টঃ |
| ন-শিকাৰু (এপ্ৰেন্টিচ্) | | | ৩৫০.০০ টঃ |

OKDISCD

কিন্তু প্ৰকৃততে সৰু আৰু মজলীয়া ধৰণৰ মুদ্ৰণালয়ত এই নিৰিখ অনুযায়ী দৰমহা দিয়া নাযায়। প্ৰায়েই মালিকৰ মৰ্জিৰ ওপৰতে সকলো নিৰ্ভৰ কৰে। আনহাতে চৰকাৰে বান্ধি দিয়া নিৰিখো বিজ্ঞান সন্মত নহয়। চহৰাঞ্চলত একোজন মুদ্ৰণ কৰ্মীয়ে উক্ত নিৰিখত জীৱন নিৰ্বাহ কৰা তথা একোটা পৰিয়াল চলোৱা দুৰূহ। চৰকাৰী কানুন অনুসৰিয়ে তেওঁলোকে সপ্তাহত ছয় দিনকৈ কাম কৰিব লাগে আৰু তাৰ বাহিৰেও বছৰি ১২ দিন নৈমিত্তিক ছুটী ১৬ দিন চিকিৎসা বিষয়ক ছুটী আৰু বিশেষ কাৰণ বশতঃ ১৩ দিন (Special leave) ছুটীৰ ব্যৱস্থা আছে যদিও দৰমহা সহ এনে ছুটী মালিক পক্ষই সকলো ছপাশালতে যে দিয়ে তাকো ন-দি কব নোৱাৰি। প্ৰেছ শ্ৰমিকৰ বিভিন্ন দাবী সম্বন্ধে অৱশ্যে তেওঁলোকৰ সাংগঠনিক প্ৰতিবাদ সময়ে সময়ে চলি অহা দেখা যায়। কেৱল নগাৱঁতে ১৯৮৭ চনত প্ৰেছ কৰ্মীৰ এটি আন্দোলন চলিছিল। অন্ততঃ তেত্ৰিশটা ছপাখানাৰ কৰ্মী এই আন্দোলনত যুক্ত হোৱা দেখা গৈছিল।

ক্ষুদ্ৰ উদ্যোগ কুটীৰ শিল্প আৰু বিভিন্ন সৰু-বৰ ব্যৱসায়ৰে সৈতে জড়িত শ্ৰমিকৰ জীৱন চিত্ৰ খন সততে বৃহৎ উদ্যোগ কাৰখানা আদিৰ শ্ৰমিকৰে সৈতে একে নহয় যেন লাগে যদিও দুয়ো ঠাইতে শোষণৰ মাত্ৰাৰহে তাৰতম্য থাকিব পাৰে—মৌলিক অৰ্থত দুয়ো শ্ৰেণী শ্ৰমিকেই শোষণৰ বলি যে হয় তাক অস্বীকাৰ কৰা নাযায়। চাহ উদ্যোগৰে সৈতে জড়িত শ্ৰমিক আৰু কেঁৰেৰীত শিল ভঙা শ্ৰমিকৰ জীৱন চিত্ৰ দেখাত একে নহয় যদিও শ্ৰেণী গত অৱস্থান তেওঁলোকৰ একেই আৰু শোষণৰ প্ৰক্ৰিয়াটোও দয়ো ঠাইতে একেটা শ্ৰেণী চৰিত্ৰৰ দ্বাৰাই নিয়ন্ত্ৰিত। (আগলৈ)

(O নিবন্ধটি যুগুতাওঁতে তথ্য সংগ্ৰহত সহায় কৰা বাবে শ্ৰীতুতুমণি বৰালৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। —লেখক) O

(চাৰি পৃষ্ঠাৰ পিছৰ পৰা)

বিপৰ্যস্ত ····· চিত্ৰ

এই ৰিপৰ্টৰ ৪৭ বছৰ পিছতো কিমান পৰিৱৰ্ত্তন আমি দেখিছো? পৰিৱৰ্ত্তন যে হোৱা নাই তাৰ প্ৰমাণ পোৱা যায় কয়লা শিল্পক জাতীয়কৰণ কৰাৰ অন্যতম প্ৰধান উদ্যোক্তা এস, মোহন কুমাৰ মঙ্গলমৰ Coal Industry in India— Nationalisation and Task Ahead নামৰ গ্ৰন্থত। তেখেতে লিখিছে— 'Under the law the workers were to be provided with medical facilities, This was violated by contruting ramshaekle huts styled as hospitals, with neither doctors nor nurses and hardly any drugs or equipment. The so called ereshes meant for children were never occupied. Housing was extremely

Indequate, poor in construction and never maintained. While the workers live in such miserable and sub-human conditions, the owner of the collieries and top management live in palatial building and enjoyed the best comforts. কয়লা খনিৰ বিষয়াসকলৰ বাস ভৱন, ক্লাব, আমোদৰ বাবে যিমান অৰ্থ ব্যয় কৰা হৈছে, তাৰ এক চতুৰ্থাংশও যে শ্ৰমিক কল্যানৰ বাবে খৰছ কৰা নহয়, কোনো খনিলৈ গলেই উপলব্ধি কৰিব পৰা যায়। আৰু সেই বাবেই অধিকাংশ শ্ৰমিকৰ মুখত প্ৰতিধ্বনিত হয়— 'এটা বাটৰ কুকুৰৰ দৰেই আমি মৰো।'

(২১ পৃষ্ঠাত চাওক)



## সনাতনৰ আকলন

# কৰা কৃপা বাবা বিশ্বনাথ।

—সনাতন কায়স্থ

আমাৰ বৰবোপা দাড়িয়ে গোফে, চিৰি চেহেৰাই খোজে কাটলে, কথাই বতৰাই, গুণে জ্ঞানে, বিদ্যাই বুদ্ধিয়ে দেখাই শুনাই, গা গাড়িয়ে বৰ লায়কৰ ডেকা। নিজৰ গাঁৱতেই নহয়, ওচৰ চুবুৰীয়া গাৱঁৰ কথাটো বাদেই গোটেই ৰাজ্যখনৰ লোকে একমুখে ধইন্ ধইন্ কৰিছিল যেতিয়া বৰ বোপাই আমাৰ জাতিটোৰ মান ৰাখিবৰ বাবে ৰজাঘৰৰ সৈতে ফেপেৰি পাতি উখনা-উখনিখন লাগি গোটেই ৰাজ্যখনতে উথপ থপ লগাব পাৰিছিল। বৰবোপাৰ সৈতে লগ লাগি মাজু বোপা, সৰু বোপা হঁতেও সেই উখনা-উখনিখনৰ কথা সংসাৰখনতে বিয়া বস্তু কৰি দিছিল। সেই কালছোৱাত বোপাহঁতৰ গাত গুৰু গোসাঁই নাছিল। ৰজাঘৰীয়া চিপাহী চন্তৰী হঁতৰ উত্তম মাধ্যমৰ প্ৰতাপত ঘৰ এৰি গছতলে, বাঁহতলে ঘূৰি ফুৰিব লগাত পৰিছিল। সেয়েহে বোধকৰো বোপাহঁতে জাতি ধৰ্ম্মৰ বাহিৰে অইন ধৰমৰ মনিচক কোনো পাত্তা দিয়া নাছিল। বৈষ্ণৱ, শৈৱ শাক্ত, গানপত্য, সৌৰ, খৃষ্টান, ইচলাম, জৈন, বৌদ্ধ আস্তিক নাস্তিক কোনেও পাত্তা পোৱা নাছিল। বোপাহঁতৰ স্ব-ধৰ্ম্ম নাছিল... কেৱল স্ব-ৰাইজৰ সেৱা অৰ্থাৎ Service to man is Service to God অপৈণত হলেও বোপাহঁতৰ মাতবৰৰীক ৰাইজে ধইন্ ধইন্ বুলি বোপাহঁতক ৰাইজৰ সেৱা কৰিবলৈ উদগনি দিছিল। শেষত ৰাইজে আগৰ অবৈধ ৰজাক নাকচ কৰি বোপাহঁতক ৰাজপাটত বহুৱালে আৰু মুখৰ লেলাৱতি উলিয়াই ৰাজ্যখনৰ মান-ইজ্জত ৰাখি সোণৰ মুকুট সাজিবলৈ বুলি মূৰৰ চুলি আজুৰি ছিঙি আশীৰ্ব্বাদ দিলে। পহিলাতে বোপাহঁতে তৰ্জ্জন-গৰ্জ্জন কৰি আকাশ বতাহ কঁপাই ৰাইজক সেৱা জনাই সোণৰ মুকুট গঢ়িবলৈ শপত খাই ধোৱা তুলসী পাত হৈ লেতেৰা বোকাৰ চিটিকণি গাত নেপেলাবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। ৰাইজে হৰিধ্বনি দি বোপাহঁতক নিৰ্মালি দিলে, শৰাই গামোচাৰে গাৱেঁ-গাৱেঁ, নগৰে-চহৰে, পথাৰে সমাৰে আদৰণি জনালে। ৰাইজ নিশ্চিন্ত হ'ল এইবাৰ বোপাহঁতে আমাক সোণৰ সোলেং আনি দিব।

পিচে কালৰ কি কুটিল গতি। লাহে লাহে বোপাহঁতৰ গাত বোকাৰ চিটিকণি পৰিবলৈ ধৰিলে। আমোদ প্ৰমোদ, বিলাস বৈভৱৰ মাজত মছগুল হবলৈ বেচি দিন নালাগিল। ভাগ-বতৰাৰ হেৰ-ফেৰ হোৱাত মাজু বোপা, সৰু বোপাহঁত টিঙিৰি তুলা হ'ল। নিজৰ ভিতৰতে দ্বন্দ-খৰিয়াল হবলৈ ধৰিলে। ৰাইজে প্ৰমাদ গণিলে। ৰাইজৰ সান্দহ খোৱা বালি তল যোৱাৰ উপক্ৰম হ'ল। সোণৰ মুলুক গঢ়া বোপাহঁতে নিজৰ নিজৰ ডিঙিত সোণৰ অলঙ্কাৰ পিন্ধি ললে। বৰ বোপাৰ গহীন মুখৰ তলত থকা ৰাজপাটৰ থকটো মাজু বোপা, সৰু বোপাহঁতে ধৰা পেলালে। দিন দুপৰতে বৰবোপাক সিহঁতে বুঢ়া আঙুলি দেখুৱাব পৰা হ'ল। বৰ বোপাৰ গাত খৰ, খহু বিভিন্ন খজুৱতিয়ে বাঁহ ললে। বিলাস বৈভৱৰ হেঁচাত ৰাইজৰ হৰিধ্বনি তল পৰিল। ৰাজপাট থৰক্-বৰক্ হল। সৰু বোপা হঁতে ৰাষ্টাই-ঘাটে ধমকি, হুমকি দিব পৰা হ'ল। অৱস্থা এনে হ'লগৈ যে, বৰবোপাৰ খাৱন-শোৱন, পিন্ধন-উৰণ, গমন-ভ্ৰমণ নোহোৱাৰ দৰে হ'ল। আগৰ চিৰি চেহেৰাও নোহোৱা হ'ল। কেৱল এটাই চিন্তা ৰাজপাট কিদৰে ৰক্ষা কৰা যায়। মাজতে ভালৰি লগাই মাজু বোপাৰ লগত সন্ধি কৰিও চালে। পিচে নাই, মনৰ পোৱণি নকমে যে নকমেই মাজু বোপা, সৰু বোপা হঁতে বৰ-বোপাক শনাহী চকুৰে চাবলৈ ধৰিলে। জ্যোতিষী, গ্ৰহবিদ, বেজ-জ্ঞানী, ডাক্তৰ কবিৰাজ সকলোৰে চেষ্টা পানীৰ মিঠৈ হল।

( বিশ পৃষ্ঠাত চাওক )

কবিতা

# আকাল দিনৰ কবিতা

কুমাৰ অনুপম চক্ৰবৰ্ত্তী

আকালৰ ভৰত ভাঙে কামিহাৰ ।
চকু মেলি চাওঁ । দোভাগ নিশা কিজানিবা
ভোকৰ তাড়নাত
নোপোৱাৰ ক্ষোভত
কাৰোবাৰ বুকুত জ্বলিছে আক্ৰোশৰ জুই ।

আমাৰ চকুবোৰ এতিয়া মৃত মাছৰ চকু
মুখ খুলি কথা কোৱাৰ সাহসো আমাৰ নাই ।
সেয়েহে
আমি কেৱল বন্ধ কোঠাৰ পৰাই শুনো
কাৰোবাৰ ঘৰত ফুটা ক্ষোভৰ হিলৈ
প্ৰতিদিন বাজি থকা প্ৰতিবাদৰ তমোময় ধ্বনি ।

সিদিনা পুৱাতে
কলঘৰৰ পিছফালৰ মজদুৰটোৱে আহি খবৰ দিলে
চহৰখনৰ তিনিআলিৰ দাষ্টবিনটোত হেনো
এটি পয়ালগা শিশুৱে মাকৰ গাখীৰ খাব নাপাই
বলীয়া হৈছে ।

চহৰৰ চহৰীয়াবোৰ নীৰৱ
আচলতে ভয়, শিশুটোৰ সলনি কিজানি সমুখত পৰে
ফুটুকী বাঘৰ ভয়লগা চকু ।
এনেকৈয়ে পাৰ হয় আকাল দিনবোৰ ।
নাঙঠ শিশুবোৰে
ওপৰলৈ দুহাত তুলি চিঞৰি চিঞৰি কয় !
হে স্ৰষ্টা, তুমি মহান
মহান তোমাৰ সৃষ্টি । O

# মজদুৰ বনুৱা সকলৰ প্ৰতি

শ্ৰীৰাজু গোস্বামী

শ্ৰমিক কৃষক মজদুৰ বনুৱা
মাউখে উটিযা গুড়ি পকুৱা
তহঁতযে নহৰ ধাতুৰে গঢ়া
তহঁতৰো দেহা তেজ মঙহেৰে গঢ়া
সন্তান তহঁতো একেটি ঈশ্বৰৰ
গিৰিমিটিয়াহত নহয় তহঁতৰ ঈশ্বৰ
যুজিযা যুজিযা পুৰুষে পুৰুষ
কদাপি নহবি ভীৰু কাপুৰুষ
চাহাবী কথাত নাযাবি ভোল
দিছপুৰত তুলিছে ধিন্দাও দাও ৰোল
একহ একহ নাইষে সময়
নায্য প্ৰাপ্য কৰিল আদায়
ভাঙিদে ভাঙিদে নিষ্ঠুৰ শাসন
মৰিলে পাবিগৈ স্বৰ্গত আসন । O

# পৰীক্ষাৰ্থীৰ হাতত পেণ্ট চোলাৰ জেপত নকলৰ অজস্ৰ টুকুৰা

পৰীক্ষা সমস্যা সম্পৰ্কে অধ্যাপক— যোগেন্দ্ৰ নাৰায়ন ভূঞাৰ সৈতে এটি সাক্ষাৎকাৰ :
সাক্ষাৎগ্ৰহন কৰিছে : শ্ৰীতুতুমনি বৰা

( নগাঁৱৰ পৰা প্ৰকাশিত সপ্তাহিক কাকত এখনত হাইস্কুল পৰীক্ষা সম্পৰ্কে এটি টোকা প্ৰকাশ হৈছিল । উক্ত টোকাত উল্লেখ হৈছিল যে নকলৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক আৰু পৰীক্ষাৰ তদাৰক কৰিবলৈ যোৱা অবেক্ষক বিষয়া সকলো সমানেই দোষী । নকল কৰা বন্ধ কৰিবলৈ নগাঁৱৰ চকলাঘাট হাইস্কুলৰ কেন্দ্ৰটোত অবেক্ষক বিষয়াই এক নতুন পদ্ধতি অবলম্বন কৰি সফল হোৱাৰ কথা কাকতখনত প্ৰকাশ পাইছিল । আমিও বৰ্ত্তমান পৰীক্ষা পদ্ধতি আৰু তাৰ লগত জড়িত সমস্যাৱলীৰ সম্বন্ধে উদ্বিগ্ন হৈ থকাৰ বাবে আমাৰ আলোচনীৰ প্ৰতিনিধি শ্ৰীতুতুমনি বৰাক এটি সাক্ষাৎকাৰ সংগ্ৰহ কৰিবলৈ দায়িত্ব দিলো । চকলাঘাট হাইস্কুললৈ অবেক্ষক বিষয়া হিচাপে যোৱা নগাঁৱৰ কৃতি অধ্যাপক শ্ৰীযোগেন্দ্ৰ নাৰায়ন ভূঞাৰ এটি সাক্ষাৎকাৰ গ্ৰহণ কৰে । পাঠক সমাজলৈ সেই সাক্ষাৎকাৰটি আগ বঢ়ালোঁ । (সম্পাদক)

প্ৰশ্ন ১ : অনুসন্ধান কৰি জানিব পাৰিলো, এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আপুনি চুপাৰভাইজিং বিষয়া হিচাপে চকলাঘাট হাইস্কুল কেন্দ্ৰত এক নতুন পদ্ধতিৰে পৰীক্ষাৰ্থীৰ নকল কৰা কাৰ্য বন্ধ কৰিলে । এই পদ্ধতি সম্পৰ্কে "সূৰ্যস্নান"ৰ পাঠক সমাজক জনাবনে ?

উত্তৰ : পোনতে কওঁ, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ চকলাঘাট কেন্দ্ৰত চুপাৰভাইজিং (অবেক্ষক) বিষয়া অকল ময়েই নাছিলোঁ । মোৰ লগত আছিল নগাঁও পলিটেকনিকৰ অৰ্থনীতি বিষয়ৰ শিক্ষক শ্ৰীঅমূল্য চন্দ্ৰ নাথ । আমাৰ দুয়োৰে যুটীয়া প্ৰচেষ্টাত কেন্দ্ৰটোৰ পৰীক্ষা পৰিচালিত হৈছিল । কিন্তু পৰীক্ষা পৰিচালনা সংক্ৰান্তত বোধ হয় মোৰেই 'দুৰ্ণাম' সৰ্দাৰ হৈছে বেছিকৈ, আৰু সেই বাবেই সূৰ্য্যস্নানে মোৰেই 'জবাবদিহি' বিচাৰিছে । শ্ৰীনাথৰ আন্তৰিক আৰু সক্ৰিয় সহযোগিতা অবিহনে মই সফল হব নোৱাৰিলোঁ হেতেন । তদুপৰি, কেন্দ্ৰটোৰ দায়িত্বত থকা বিষয়া তথা চকলাঘাট হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীলীলাকান্ত বৰা আৰু পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি শ্ৰীৰবীন্দ্ৰ নাথ ডেকা এই দুজন ব্যক্তিৰ সততা একাগ্ৰতা আৰু আন্তৰিক সদিচ্ছাৰ কথাও স্বীকাৰ কৰিব লাগিব ।

প্ৰশ্ন ২ : ধন্যবাদ । এতিয়া পদ্ধতিটোৰ সম্পৰ্কে কবনে ?

উত্তৰ : পৰীক্ষা পৰিচালনা কৰোঁতে গ্ৰহণ কৰা পদ্ধতিটো নতুন বুলি দাবী কৰিব নোৱাৰোঁ । কিন্তু কেন্দ্ৰটোৰ লগত জড়িত সকলোকে যে পদ্ধতিটোৱে নতুন সোৱাদ এটা দিছে, সেই কথা জানিছোঁ ।

প্ৰথম দিনাৰ পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগেই অতি কঠোৰভাৱে আৰু দৃঢ়তাৰে কেন্দ্ৰটোৰ চৌহদটো আয়ত্তলৈ আনিলোঁ । সেই কঠোৰতা আৰু দৃঢ়তা শেষৰ দিনাৰ পৰীক্ষাৰ শেষ মিনিটলৈকে বৰ্ত্তাই ৰাখিলোঁ । আমাৰ নিযুক্তি যদিও পৰীক্ষা কেন্দ্ৰটোৰ তদাৰকী বিষয়া হিচাপেহে, তথাপি আমি দুয়োজনেই কেন্দ্ৰটোত নিৰীক্ষকৰ ভূমিকা লব লগীয়া হ'ল । কাৰণ, প্ৰথম দিনটোৰ দৃশ্যাই আমাক বিশেষকৈ মোক বৰ হতাশ আৰু বিব্ৰত কৰিলে । বহু সংখ্যক **পৰীক্ষাৰ্থীৰ হাতত, পেণ্ট-চোলাৰ জেপত, কলম-পেঞ্চিল নিয়া বেগ বা বাকচত নকলৰ** অজস্ৰ **টুকুৰা**, চকুত পৰাখিনি কাঢ়ি আনিলোঁ

(ওঠৰ পৃষ্ঠাত চাওক)

OKDISCD

## দৃষ্টিপাত

# কৃষি শ্ৰমিক আৰু নতুন কেন্দ্ৰীয় বাজেট

**শিৱপ্ৰসাদ চমন**

সংসদ, সংবাদ মাধ্যম আদিয়ে চৰকাৰীভাবে কাণ কলা হোৱাকৈ ঘোষণা কৰা খেতিৰ দিহাৰ বস্তৰতে কৃষিশ্ৰমিকেৰে পয়োভৰা ভাৰতত শোষণৰ নতুন নতুন প্ৰক্ৰিয়া আৰম্ভ হব ধৰিছে। এই তথ্যৰ সত্যতা স্বয়ং বিত্ত মন্ত্ৰী মধু দণ্ডাৱতেৰ বাজেটেই প্ৰতিপন্ন কৰিছে। কৃষি শ্ৰমিকৰ ওপৰত নতুন দণ্ড জাপি দিয়া মধু দণ্ডাৱতেৰ বাজেটে কি মধু দিব সি আৰু এতিয়া ফটফটীয়া নোহোৱাকৈ থকা নাই।

ভূৱাৰ দেশ ভাৰত। গতিকে কৃষি শ্ৰমিক সকলৰ মাজতো ভূৱাৰ পয়োভৰেই বেছি। মাটি মালিক আৰু প্ৰকৃত কৃষি শ্ৰমিক কৃষি ব্যৱস্থাৰ দুই মুৰৰ দুটা বিন্দু স্বৰূপ। কোনেও কাকো ঢুকি নাপায়। কৃষিৰ সামন্তীয় চেহেৰাটো পুঁজিবাদী ব্যৱস্থাই ঢাকি ৰাখিছে যদিও পুৰণি প্ৰথা সমূহ আজিও ইয়াৰ মাজৰ পৰা উৎখাত হোৱা নাই। স্বাভাবিকতে সকলো চৰকাৰী ঘোষণাই যে সাৰ মাথোঁ স্পষ্ট।

চৰকাৰী ভাৱে কৃষিঋণৰ ব্যৱস্থা কৰা হয় যদিও সাধাৰণ দৰিদ্ৰ কৃষি শ্ৰমিকে এই ঋণ পোৱাৰ বাট এতিয়াও কণ্টকমুক্ত নহয়। মুষ্টিমেয় কিছু লোকে চৰকাৰী দুৰ্বল নীতি নিয়মৰ সুযোগত এই ভোগ দখল কৰি আছে। দুখীয়া কৃষি শ্ৰমিকে এইবোৰ সুবিধা ভোগ কৰাৰ কোনো পথ নাই। যেনে চৰকাৰী কৃষি বিভাগে কৃষকলৈ আগবঢ়োৱা সুবিধাসমূহ (ঋণ অনুদান আদি) ক্ষুদ্ৰ আৰু উপান্ত কৃষকেহে পাব পাৰে। অৰ্থাত এটা অ নিৰ্দিষ্ট পৰিমাণৰ পৰা তিনি বিঘালৈকে মাটি থকা কৃষি শ্ৰমিক সকলেহে চৰকাৰী কৃষি ঋণ, অনুদান আদি পাব পাৰে। কিন্তু তিনি বিঘাৰ তলৰ বা একেবাৰেই ভূমিহীন আনৰ মাটিত আধিয়াৰ বা অন্য উপায়ে উৎপাদন ৰত কৃষি শ্ৰমিক সকলে কোনো ঋণ অনুদান আদি পোৱাৰ ব্যৱস্থা নাই। উপায়ন্তৰ হৈ তেখেত সকল ওচৰৰ বা গাৱৰ সুত খোৰ মহাজনৰ শৰনাপন্ন হয়। মহাজনৰ ওচৰত মাটি সম্পত্তি বন্ধকত থৈ পচিশৰ পৰা ত্ৰিশ টকা হাৰত সুত দি টকা ধাৰে লয়। ধূৰ্ত্ত তথা সুবিধাবাদী মহাজনবোৰে সুতে মূলে হোৱা টকাৰ পৰিবৰ্ত্তে উৎপাদিত শস্য দিয়াটোহে বাধ্যতামূলক কৰি দিয়ে আৰু শস্যৰ এটা নিম্ন মানৰ দৰ নিজেই বান্ধি দিয়ে। এনেদৰে সংগ্ৰহ হোৱা শস্য তেওঁ লোকে প্ৰায় দুগুণ দামত বেচে। আনহাতে যদি কোনো কৃষি শ্ৰমিকে নিৰ্দ্ধাৰিত পৰিমাণৰ শস্য দিব নোৱাৰে তেনেহলে পূৰ্ব চুক্তি মতে বন্ধক থোৱা বস্তু ঘূৰাই নেপায়। বহুত কাকুতি মিনতি পিছত ঘূৰাই পালেও সুতৰ হাৰ কিন্তু দুগুণ হৈ যায়। যাৰফলত সাধাৰণ ৰাইজৰ লগতে শস্য উৎপাদন কৰা বহুতো কৃষি শ্ৰমিকেও পাচ টকা কিলোকৈ চাউল খাবলগীয়া হয়।

এইক্ষেত্ৰত যদি আমাৰ শাসন আৰু সমাজ ব্যৱস্থাই উপযুক্ত পদক্ষেপ ললেহেতেন আৰু প্ৰত্যক্ষ দৰিদ্ৰ কৃষি শ্ৰমিকে চৰকাৰী ঋণ লাভ কৰি উৎপাদন কৰা শস্য এটা উচিত মূল্যত বেচিব পাৰি লেহেতেন তেতিয়া কৃষক শ্ৰমিকৰ অৰ্থনৈতিক উন্নতিৰ লগে লগে কোনো শস্যৰ বজাৰ দৰ ইমানবৃদ্ধি নাপালেহেতেন।

এইদৰে আগবাঢ়ি যোৱা প্ৰত্যক্ষ শোষণত ইন্ধন যোগোৱা পৰোক্ষ শোষণকাৰীৰ চৰিত্ৰ সংসদত

(পোন্ধৰ পৃষ্ঠাত চাওক)



## অনুসন্ধান

# এইখন অসমতে যুৱতীক জীৱন্তে শিয়ালে খাই মৰাৰ কৰুণ কাহিনী

**নিজা প্ৰতিবেদক**

আজি কিছুদিন আগতে অসমৰ তিনিজন পঞ্চায়ত কৰ্মচাৰীয়ে অনাহাৰত মৃত্যু বৰণ কৰিব লগীয়া হোৱাৰ কাহিনী সংবাদ মাধ্যমৰ যোগেদি অসমৰ চাৰিওফালে প্ৰচাৰ হৈছিল। নিজৰ কৰ্মচাৰীয়ে অনাহাৰত মৃত্যুবৰণ কৰা কাহিনীয়ে শাসনাধিষ্ট অঃগঃপঃ চৰকাৰ খনৰ চূড়ান্ত ব্যৰ্থতাৰ আন এটা পৰিচয় ৰাইজৰ ওচৰত ডাঙি ধৰিলে। ইয়াৰ আগতেও মৰিগাওঁ জিলাত অনাহাৰে মানুহ মৃত্যু হোৱা কাহিনী সংবাদ মাধ্যমেদি প্ৰচাৰ হৈছিল। চৰকাৰে দুই এটা বিবৃতি দি অভিযোগ নাকচ কৰাৰ চেষ্টা কৰিয়েই ক্ষান্ত থাকিল। সমস্যা সমূহক সমাধান কৰাৰ ইচ্ছা নাথাকিলে, সমাধানৰ উপযুক্ততা খিনি নাথাকিলেই এনেদৰে এৰাই চলা ধৰণৰ নীতি মানি চলা হয়। এনেদৰে চৰকাৰী ব্যৰ্থতাৰ বাবে মৃত্যুমুখত পৰা উদাহৰণ অলেখ। তাৰ মাজৰে এটি অতি সাম্প্ৰতিক ঘটনাৰ কাহিনীয়ে অনুভূতিশীল সকলোকে নিশ্চয় স্পৰ্শ কৰিব। খবৰটো অসমৰ কোনো বাতৰি কাকততে এতিয়ালৈ প্ৰকাশ হোৱা নাই— এগৰাকী পোন্ধৰ বছৰীয়া যুৱতীক শিয়ালে জীৱন্তে খাই মাৰাৰ কৰুণ কাহিনী।

খবৰটো শুনিয়েই আমি দৌৰি গৈছিলো, ৰহা থানাৰ অন্তৰ্গত গান্ধীবাড়ি নামৰ সৰু গাওঁখনলৈ। গাওঁখনক আৱৰি চৌদিশে বাৰীৰ, পথাৰ। জন বসতিও তেনেই সেৰেঙা। নগাওঁ জিলাৰ পশ্চিমে নগাওঁ চহৰৰ পৰা প্ৰায় বাৰ কিলোমিটাৰ নিলগৰ এই সৰু গাওঁখনত ঘাইকৈ তিৱা সম্প্ৰদায়ৰ লোকৰ সংখ্যাই অত্যধিক। দুই চাৰিঘৰ নাথ সম্প্ৰদায়ৰ লোকো আছে। গাৱঁৰ সকলো মানুহেই শ্ৰমিক।

"তেতিয়া নিশা দহ কি এঘাৰ মান বাজিছে। ছোৱালীজনীৰ 'আই ঔ!' বুলি চিঞৰ শুনিলো, ওচৰতে শিয়ালেও হোৱা দি আছিল, তাৰ পিছত আৰু গোটেই নিশা তাইৰ চিঞৰ শুনা নাপালো। আন দিনা তাই চিঞৰি চিঞৰি কান্দি থাকে। খুউব সম্ভৱ ছোৱালীজনীক জীয়াই থকাৰ অৱস্থাতে শিয়ালে খালে।" এইয়া ছোৱালীজনীক যি ঠাইত শিয়ালে খাইছিল তাৰ প্ৰায় পঞ্চাশ গজমান নিলগত বাস কৰা ৰত্নেশ্বৰ পাতৰৰ কথা। উল্লেখ যোগ্য যে তেওঁৰ ঘৰটো পথাৰৰ মাজত। ৰত্নেশ্বৰ পাতৰৰ মুখেদিয়েই গম পালো, ছোৱালীজনীক মৃতাৱস্থাত প্ৰথম দেখা ব্যক্তি অৰুণ ডেকা ৰজা। তেওঁৰ ঘৰ বাৰপুজীয়াত। "মই হাল লৈ সদায়ে খুউব পুৱাই যাওঁ, সিদিনাও গৈছিলো। গৈ পাই দেখো ছোৱালীজনী ৰাস্তাৰ ফাললৈ মূৰ কৰি আছে আৰু ভৰিপনা, গুপ্তাংগৰ পৰা বুকু পৰ্য্যন্ত ইতিমধ্যে শিয়ালে খাই শেষ কৰিছে। নাড়ি, ভুৰু একো নাই।" ডেকা ৰজাক আমি আকৌ প্ৰশ্ন কৰিছিলো যে, তেজ থকা দেখিছিল নেকি? "মই খুউব ওচৰৰ পৰা চাইছিলো, প্ৰায় দুগজ আতৰৰ পৰাই। কিন্তু তেজ নেদেখিলো" উল্লেখনীয় যে সেইদিনা ৰাতি ডবাপিটা বৰষুণ হৈছিল, তেজ আছিল যদিও বৰষুণৰ পানীয়ে ধুই নিছিল! তাৰ পিছত আমি গাওঁবুঢ়া শ্ৰীযুত গোপী পাতৰ দেৱক লগ কৰিছিলো, তেখেতক ছোৱালীজনীৰ

OKDISCD

আতিগুৰি সুধিছিলো। "ছোৱালীজনীৰ ঘৰ ক'ত নাজানো, কিন্তু মাঘ মাহৰ শেষৰ ফালে ৰহাৰ সাপ্তাহিক বজাৰলৈ যাওঁতে ৰামজাং আটিতদেখিছিলো। তাৰ সপ্তাহ কি পষেক চেৰেকৰ পিছত তাই ইয়ালৈ আহে। গান্ধীবড়ীলৈ আহি গছ বাঁহৰ তলে তলে থকাত ওচৰৰ মানুহ খিনিয়ে ধানখেৰেৰে সৰু ছালি এখন সাজি দিয়ে আৰু খোৱা-বোৱাৰ ক্ষেত্ৰত দুপৰীয়া গধূলি ওচৰ চুবুৰীয়া কেইঘৰৰ উপৰিও গাওঁখনৰ আনটো চুবুৰীৰ মানুহ খিনিয়েও যোগান ধৰে। কাপোৰ কানিও দিছিল, কিন্তু তাই সেইবোৰ পিন্ধা নাছিল। মানুহ বিলাকে তাইক আশ্বাস দিছিল যে, যদি তাই ঘৰ ক'ত কয়, তেনেহলে ঘৰত থৈ আহিবগৈ। কিন্তু তাই তিৰোতা মানুহৰ বাহিৰে পুৰুষৰ সৈতে মাতবোলেই নকৰে। কেৱল তিৰোতা মানুহকে খুজি খাইছিল। তাৰোপৰি তিৰোতা মানুহখিনিয়ে কাপোৰ পিন্ধাই দিলেও অলপ পিছতে খুলি পেলাইছিল। তাইৰ কাপোৰৰ প্ৰতি কিয় অনীহা আছিল যাৰ কাৰণে তাই উলংগ হৈ থাকি ভাল পাইছিল! এই বিষয়ে আমি মহিলা সকলৰ সৈতেও আলোচনা কৰিছিলো, তেওঁ লোকে কিবা জানে নেকি? —সেইখিনি পিছলৈ ব্যক্ত কৰা হব। দুসপ্তাহ মান গান্ধীবড়ীত থকাৰ পিছত তাই অন্তৰ্দ্ধান হ'ল" —আমাক গাওঁবুঢ়াদেৰে কৈ আছিল। "এইবাৰ তাইক দেখা গ'ল দুই কিল'মিটাৰ নিলগৰ ভালুকমাৰী আৰু খালৈগাঁৱৰ মধ্য-স্থল দীঘলী বিলৰ ওচৰত। কিন্তু তিনি চাৰি দিনৰ পিছত তাই আকৌ ফিৰি আহিছিল।' আমি গাওঁবুঢ়াদেৰক প্ৰশ্ন কৰিছিলো— তাই বেয়া পোৱা কোনো কাম, যেনে তাইক অতীষ্ঠ কৰা, কাপোৰ-কানি জোৰ কৰি পিন্ধোৱা আদিৰ কাৰণে তাই গুচি গৈছিল নেকি? এই বিষয়ে সিটো চুবুৰীৰ ব্যক্তি সকলেই ভালদৰে জানিব!" এইবাৰ আমি সেই গাঁৱৰে ব্যক্তি মুকুন্দ কোঁৱৰক লগ কৰিছিলো। তেওঁ কলে যে ছোৱালীজনী অনবৰতে উলংগ হৈ থাকে। মোৰ বোৱাৰী-জীয়াৰী আছে নিজৰ বেয়া লগা কাৰণত মই পৰা পক্ষত ছোৱালীজনীক খেদিবলৈ যত্ন কৰিছিলো। ওচৰ চুবুৰীয়া মানুহখিনিক কলো যে তাইক দুদিনমান ভাত নিদিয়া হলেই তাই যাবলৈ বাধ্য হ'ব। সেয়ে দুদিনমান ভাত নিদিয়া হোৱাত তাই গুচি গৈছিল, তাৰ পিছত ছালি খনকো জুই লগাই পুৰি পেলোৱা হ'ল। মুকুন্দ কোঁৱৰৰ বাৰান্দাত বহি থকা প্ৰবাল দেউৰী আৰু জীৱন বৰদলৈয়েও কলে "প্ৰথম অৱস্থাত ছোৱালী-জনীক বৰ মৰম লাগিছিল। দেখাই শুনাইও ইমান বেয়া নাছিল, কিন্তু তাইৰ লেতেৰা স্বভাৱ। শৌচ প্ৰসাৱত লেটি লৈ থকা আৰু উলংগ হৈ থকা গুণটোৰ কাৰণেই শেষলৈ বিতৃষ্ণা আহিছিল। আমি গাওঁ-বুঢ়া পাতৰদেৱক থানাৰ লগত এই বিষয়ে যোগাযোগ কৰিছিলনেকি বুলি সুধোতে তেখেতে মোক প্ৰকাশ কৰিয়েই কয় যে থানাৰ লগত কি যোগাযোগ কৰিব; তেওঁলোকৰ প্ৰতি কোনো আস্থা নাই। জনোৱা হেতেন কেৱল পুনৰাই কলে ছালি এখন সাজি দিয়া কিম্বা আজি যাম কালি যাম কৰি থাকিলহেতেন। এই

(পোন্ধৰ পৃষ্ঠাত চাওক)



(বাৰ পৃষ্ঠাৰ পিছৰ পৰা)

**কৃষক শ্ৰমিক.........বাজেট**

সদ্য গৃহীত বাজেটে উন্মোচিত কৰিছে। দেখাত কৃষি শ্ৰমিকৰ প্ৰতি উদাৰ মনোভাৱ প্ৰদৰ্শন কৰি মধুহীন মধুদণ্ডৱতে এহেজাৰ কোটি পৰ্য্যন্ত কৃষি ঋণ মকুব কৰিলে। এই পৰোক্ষ শোষণকাৰী সকলে নিশ্চয় জানে যে, প্ৰকৃত ঋণৰ দহ শতাংশত সাধাৰণ শ্ৰমিক কৃষকে নাপায় আৰু পালেও তেওঁ লোকৰ অজ্ঞতা অসাবধানতাৰ বাবে নিৰ্দিষ্ট কালৰ আগতেই ই হাতচাৰা হয় আৰু এইদৰেই বিত্তমন্ত্ৰী মহোদয়ে বহুজন সংখ্যক টকা পুঁজিপতি আৰু ছদ্মবেশী কৃষকৰ নামত এৰি দিয়া পৰিলক্ষিত হৈছে।

এটি সৰু উদাহৰণলৈ চাব পৰা যায়। ডিজেলৰ মূল্য বৃদ্ধিৰ লগে লগে মিঠাতেলৰো মূল্য বৃদ্ধি হ'ল। বেচৰকাৰী পৰিবহনৰ ভাড়াও বাঢ়িল। যাৰ ফলত নিত্য প্ৰয়োজনীয় দ্ৰব্যৰ মূল্য বৃদ্ধি হ'ল আৰু মাধমাৰটো পৰিল দৰিদ্ৰ উৎপাদনকাৰী শ্ৰমিক কৃষকৰ ওপৰত। এই ঘটনাৰ প্ৰাসংগিকতাই দেখুৱাই যে পুঁজিপতি মালিক শ্ৰেণীটোৱে দ্ৰব্য মূল্য বৃদ্ধিৰ সুযোগতেই পাইৰ পৰা কোটি লৈ মুনাফাৰ হাৰ ক্ৰমাগত ভাৱে বেছিকৈ পাব ধৰিছে অথচ কপালৰ ঘাম মাটিত পেলাই শস্য উৎপাদন কৰা কৃষি শ্ৰমিকে শস্যৰ প্ৰকৃত মূল্যৰ পৰা বঞ্চিত হৈছে। নতুন যুগৰ এই নতুন ধাৰাৰ প্ৰগতি-শীলতা (!) ক এতিয়া কি আখ্যা দিয়া যায়? এই শোষণৰ অৱৰোধ অথবা প্ৰতিৰোধ কোন প্ৰগলভ মঞ্চয়েই বা গঢ়ি তুলে এতিয়া?? ○

**এইখন অসমতে .... কৰুণ কাহিনী**

খিনিতে আমি গাওঁবুঢ়া পাতৰদেৱকো জগৰীয়া কৰিব বিচাৰো, কাৰণ অন্ততঃ জনোৱা হলে হয়তো ছোৱালীজনীৰ আতি গুৰি ওলালহেতেন হয়তো। তাকে নকৰি যদিও তেওঁ নিজৰ নিৰাপত্তাতেই গাওঁখনত ৰাখিলে তথাপিও আইনমতে কৰা ন'হল বুলিয়েই আমি কও।

ইতিমধ্যে তাইৰ খোৱা-শোৱাৰ অনিয়-মীয়াত আগতকৈও দুৰ্ব্বল হৈ আহিছিল। আনকি উঠি বহি ফুৰিবও নোৱাৰা হ'ল। পৰি থকা ঠাইতেই শৌচ-সৰুপানী চোৱা, খোৱা একাকাৰ হ'ল। দুৰ্গন্ধই এক বেয়া পৰিবেশৰ সৃষ্টি কৰিলে। তথাপিও আত্মা টোৰ মৰমতে মানুহবিলাকে আগৰদৰেই খোৱা-বোৱাৰ জোগাৰ দি থাকিল। তাৰ মাজতে এদিন হেনো এগৰাকী তিৰোতাই গাটোত দুবৈৰ পৰা পানী ঢালি জেওৱা মাৰিৰে ঘঁহি ঘঁহি ধুৱাই দিলে তেনেতে এদিন নিশা বতাত ধুমুহা আহিছিল; তাইক মুকলি ৰাস্তাৰ পৰা কোনোবাই নি ওচৰতে থকা দোকানখনত সোমোৱাই থৈ গ'ল। সভাৰাম কোঁৱৰ নামৰ ব্যক্তিজনৰ ভাষাত আলফাই সোমোৱাই থৈ গ'ল। এই বিষয়ে আমি দোকানী হুকটিং সেনাপতিক লগ কৰিছিলো। পুৰা আহি দেখো তেওঁ ঘৰতে আছিল আৰু ভিতৰত ছোৱালীজনী পৰি আছে শৌচ প্ৰসাৱে একেবাৰে দোকানৰ গাদী লেতেৰা কৰি থৈছে। নিজে সোমাব নোৱাৰা ছোৱালীজনীক আনে নিশ্চয়

OKDISCP

সোমোৱাই থৈ যাব লাগিব। আমি সুধিছিলো— আপুনি মাৰধৰ কৰিছিল নেকি? তেওঁ কলে 'নাই কৰা।' কিন্তু তেওঁ আমাক ফাকি দিছিল যে ছোৱালীজনীক বুটমাহ কেইটামান হাততলৈ দেখুৱাই দেখুৱাই দোকানৰ পৰা উলিয়াই নিছিল। কিন্তু এইখিনিতে তেওঁৰ ফাকি আৰু স্পষ্ট হয়। প্ৰথম অৱস্থাত তেৱেঁ আমাক কলে যে যিজনী ছোৱালীয়ে কেৱল পৰিয়েই থাকে সেই ছোৱালীজনী কেনেদৰে উঠিব পাৰে? নিজে দোকানৰ পৰা ওলাই যাব নেকি? শুনামতে তেওঁ হেনো তামোলৰ চকুৱাৰে তুলি নি পথাৰৰ দাঁতিত থৈ আহিল। তাত তাইৰ নিম্নতম নিৰাপত্তা খিনিও নাইকিয়া হৈ পৰিছিল। আৰু তাতেই ইমান লোমহৰ্ষকভাৱে মৃত্যুক আকোৱালি ললে।

পুনৰ ফিৰিছো— তিৰোতা এজনীয়ে কলে যে ছোৱালীজনীৰ ঘৰ চৰাইবাহীত· কিছুমানে কয় দীঘলদৰীত। আমাক গাওঁবুঢ়াই কোৱামতে ৰামজাং আটি যিহেতু ৰহা দীঘলদৰীৰ নিকট ঠাই য'ত গাওঁবুঢ়াই প্ৰথম লগ পাইছিল। গতিকে দীঘলদৰীৰ দুই এজন ব্যক্তিক খবৰ লৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁলোকেও গম নাপায়। আমি ছোৱালীজনীৰ গঢ় ঠাঁচৰ বিষয়ে সুধোতে 'চুলিখিনি বৰ কটা মিঠা বৰণীয়া ছোৱালীজনী বৰ মৰম লগা আছিল। বয়সো সিমান হোৱা নাছিল; চৈধ্য পোন্ধৰ বছৰীয়া সৰু ছোৱালী। এই বিষয়ে তেওঁ লোকে হেনো ছোৱালীজনীক সদায়ে সুধিছিল তাইৰ ঘৰৰ কথা কলে তেওঁলোকে নি থৈ আহিব। কিন্তু তাই এইবিষয়ে একোৱেই নকয়। কিন্তু খোৱা-বোৱাৰ ক্ষেত্ৰত তাই সম্পূৰ্ণ সচেতন আছিল নিজে খুজিও খাইছিল। শুনামতে তাই আছিল কৈৱৰ্ত কুলীয়া আৰু এসময়ত তাই মেট্ৰিকো দিছিল। তাইৰ কাপোৰৰ প্ৰতি ঘৃণাভাৱ থকাৰ কথা কিবা তৎ ধৰিব পাৰিছে নেকি সুধোতে তিৰোতাগৰাকীয়ে কৈছিল— নিশ্চয় কিবা কাৰণ থাকিবই লাগিব। শুনামতে ছোৱালীজনী কোনোবা প্ৰাথমিক বিদ্যালয়ৰ ডেকা শিক্ষক এজনৰ লগত ভাল ভাৱ আছিল। কিন্তু অকস্মাৎ এদিন শিক্ষক জনৰে সৈতে বেয়া কামত লিপ্ত হয়। ফলত তাই অন্তঃসত্বা হৈছিল। ইতিমধ্যে শিক্ষকজনেও আওকণীয়া হৈ পৰাত তাই তয়ত লাজত মানসিক স্থিৰতা হেৰুৱাইছিল। কি কৰিম, ক'ত যাওঁ কোনো ধৰণৰ উৱাদিহ নোপোৱা হ'ল। এইদৰেই তাই পথলৈ ওলাই আহিল। এই কথাটো অলপ দকৈ ভাবিলেই ওলায় যে তিৰোতাগৰাকীয়ে কোৱা কথাযাৰৰ যথাৰ্থতা নিশ্চয় আছে। কাৰণ নিজৰ গুপ্ত অংগ বিলাকৰ প্ৰতি তাইৰ আস্থা নোহোৱা হ'ল। যাৰফলত তাই ঢাকি ৰাখিবও লাজ কৰা হ'ল। দুই চাৰিজন ব্যক্তিয়েও কলে যে তাইৰ শৰীৰত ডাঙৰ বেমাৰ হ'ল। আৰু ঘৰৰ মানুহে উলিয়াই দিলে! কিন্তু কি এই ডাঙৰ বেমাৰ? অৱশ্যে আজিৰ পৰা কেইবা দশকৰ আগলৈকে কুষ্ঠৰোগীকহে ঘৰৰ পৰা বৰ্জন কৰা হৈছিল। কিন্তু আজিৰ দিনত কুষ্ঠৰোগ তেনেই সামান্য এটি ৰোগহে। এই সূত্ৰৰ পৰা আমি ধৰি লব পাৰো যে এই বেয়া বেমাৰটো তেনে একো নহয়, ক্ৰমশঃ বাঢ়ি অহা ভ্ৰূণৰ কবলত বন্দী হৈ পৰা শৰীৰটো ওফন্দি অহাটোৱেই বেমাৰ। আন এক সূত্ৰৰ মতে ছোৱালী জনীৰ নিজা মাক নাই। মাহী মাকহে আছে। আমাৰ ভাৰতবৰ্ষৰ ইতিহাসত মাহীমাকৰ চৰিত্ৰটি তেজীমলাৰে চিন ধৰি এক কলংকিত চৰিত্ৰ। মহিলাগৰাকীৰ জৰিয়তে শুনামতে এদিন হেনো গাৱৰ কোনোবা এজন ডেকা ল'ৰাই হঠাৎ ছোৱালীজনীক চিনিব পাৰি লগে-লগে ঘৰত খবৰ দিলেগৈ। কিন্তু ঘৰৰ বাপেক-মাহীমাকে দা ডাঙি লৰাজনক কাটিবলৈহে খেদি আহিল। তেখেতৰ কথামতেই বাৰপুজীয়া ইলেকট্ৰিচিটি বৰ্ডত চাকৰি কৰা উক্ত ব্যক্তিজনক আমি কিন্তু বিচাৰি নাপালো।

আমাৰ প্ৰশ্ন হ'ল— লগে লগে শৰীৰটো পুতি পেলোৱা হ'ল কিয়? এই বিষয়ে অন্ততঃ সচেতন ব্যক্তি গাওঁবুঢ়াদেৱে থানাৰ সৈতে যোগাযোগ কৰি পচমৰ্টেমৰ ব্যৱস্থা কৰিব পাৰিলেহেঁতেন।

এয়া যোৱা পাঁচ এপ্ৰিল অৰ্থাৎ বিশ্ব স্বাস্থ্য দিবসৰ এদিনৰ আগৰ এটি সামান্য ঘটনা মাত্ৰ। আজি দেশ জুৰি গৰীৱী হটাও, দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য ইত্যাদি শ্লোগানে ইথাৰ বতাহ বজ্ৰৰ গৰ্জনৰ দৰে ঠেকা খাব লাগিছে। এই শ্লোগান ৰাজনীতিৰ শকুনিৰ কপট পাশাখেলৰ চাতুৰিৰ বাহিৰে একো নহয় বুলি জনসাধাৰণে বুজিবলৈ থকা নাই। জুইক যেনেদৰে কাপোৰেৰে ঢাকি ৰাখিব নোৱাৰি তদ্ৰূপ গিলিপিগৰ দৰে ব্যৱহাৰ কৰা তেওঁলোকৰ আচৰণ ক্ৰমশঃ বৃদ্ধি পাই গৈছে। আজি লক্ষ্য লক্ষ্য লোক পেটত বাক্ নামৰ অত্যাচাৰী নিষ্ঠুৰ ৰাক্ষসৰ অত্যাচাৰ আৰু ফুটপাথত বতাহ বৰষুণ ধুমুহা আদি প্ৰকৃতিৰ উৎপীড়ণ অত্যাচাৰত তিলতিলকৈ মৰি মৰি জীয়াই আছে। কিছুমানে কুৰি মহলাৰ ওপৰত কাটা চামুচেৰে ভোগতমত্ত। কিছুমানে দিন দিন ধৰি শৰীৰ বিক্ৰী কৰিও খাবলৈ নাপায় এমুঠি আহাৰ। হাঁয় মোৰ আত্মীয় আত্মাসৱ কিমান অমিল তোৰ যুগৰ সম্বা। দিন দুপৰতে তোৰ শৰীৰকলৈ হেতালিখেলে। জীয়াই থকা অৱস্থাতে তোৰ শৰীৰ শিয়াল শগুনে খাব পাৰে!

## ঃ ঘোষণা ঃ

এই সংখ্যাৰ পৰা আমাৰ আলোচনীত এটি নতুন শিতান মুকলি কৰা হৈছে। শিতানটিত ব্যঙ্গ ৰচনাই ঠাই পাব আৰু নাম দিয়া হৈছে "সনাতনৰ আকলন"

শ্ৰদ্ধাভাজন পাঠক-পাঠিকা সকল!

এই সংখ্যালৈকে 'সূৰ্যস্নান' ৰ আঠটি সংখ্যা প্ৰকাশ হৈছে। এই সংখ্যাবোৰত স্বাভাৱিকতেই বহুতো ভুল-ত্ৰুটি আৰু বিভিন্ন নাটনি নিশ্চয় আপোনালোকৰ দৃষ্টি গোচৰ হৈছে।

আপোনালোকৰ নিজৰ আলোচনী হিচাবে ইয়াৰ ত্ৰুটি বা নাটনি সমূহ সমালোচনা কৰাৰ অধিকাৰ আপোনালোকৰ নিশ্চয় আছে।

গতিকে সূৰ্যস্নানত প্ৰকাশিত লেখনি আৰু সূৰ্যস্নান সম্পৰ্কে আপোনালোকৰ মুকলি সমালোচনা সমূহ প্ৰকাশ কৰিবলৈ অহা সংখ্যাৰ পৰা "পঢ়ুৱৈৰ শিতান" নামৰ এটি চিঠি পত্ৰৰ শিতান মুকলি কৰিব বিচাৰিছো। আশা কৰো আপোনালোকৰ সহযোগিতাই আমাৰ উদ্দেশ্য সাফল্যমণ্ডিত কৰি তুলিব।

সম্পাদক।

OKDISCD

(এঘাৰ পৃষ্ঠাৰ পিছৰ পৰা)

## পৰীক্ষাৰ্থীৰ হাতত......অজস্ৰ টুকুৰা

ভৱিষ্যতে তেনে নকৰিবৰ বাবে সতৰ্ক কৰি দি আৰু মৌখিক প্ৰতিশ্ৰুতি লৈ সেই পৰীক্ষাৰ্থীবোৰৰ ৰোল নম্বৰৰ বিপৰীতে নিজৰ চহী আৰু অভিভাৱকৰ নাম ঠিকনা ললোঁ। পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি আৰু স্কুলখনৰ প্ৰধান শিক্ষকৰ জৰিয়তে কেইজনমান অভিভাৱকক কথাটো অবগত কৰোৱালোঁ। দ্বিতীয় দিনাৰ পৰীক্ষাত নকলৰ টুকুৰাৰ সংখ্যাৰ পৰিমাণ বহুখিনি কমিল। নকল নকৰিবৰ বাবে পৰীক্ষা আৰম্ভ হোৱাৰ পূৰ্বেই সকলোকে সতৰ্ক কৰি দিলোঁ। তথাপি সেই দিনাও নকল কৰা পৰীক্ষাৰ্থী কেইবাগৰাকীও মোৰ দৃষ্টিত ধৰা পৰিল। তেনেকৈ ধৰা পৰা পৰীক্ষাৰ্থীৰ বহীত নকল কৰা উত্তৰ সমূহ নিজ হাতেৰে কটোৱাই এখন নিৰ্দ্দিষ্ট কাগজত ৰোল নম্বৰ, চহী আৰু ঠিকনা লৈ প্ৰশ্ন আৰু উত্তৰ কাকত কাঢ়ি আনিলোঁ। নিৰ্দিষ্ট নিৰীক্ষক গৰাকীৰ উপস্থিতিতে নকল কৰা অপৰাধৰ বাবে পৰীক্ষাৰ্থী গৰাকীৰ হতুৱাই পৰীক্ষা গৃহৰ ভিতৰতে নিৰীক্ষক গৰাকীৰ ভৰিত ধৰি ক্ষমা খুজিবলৈ বাধ্য কৰালোঁ। সেইদিনাৰ বাবে পৰীক্ষা ঘৰৰ পৰা পৰীক্ষাৰ্থী গৰাকীক উলিয়াই দিয়া হ'ল, পিছত প্ৰশ্ন কাকতৰ বাবে ভালদৰে পঢ়ি আহিবলৈ বুজনি দি। তেনে পৰীক্ষাৰ্থীৰ কেইবাগৰাকীয়ে পিছদিনা পৰীক্ষা দিবলৈ আহিয়েই তেওঁলোকৰ ভুল বা দোষৰ বাবে অনুতপ্ত হৈ ভৱিষ্যতে তেনে কাম কেতিয়াও নকৰিব বুলি বিনীতভাৱে ক্ষমা খোজা দৃশ্যাই আৰু পৰীক্ষা ঘৰত একান্তভাৱে লিখি থকা দৃশ্যাই মোক অভিভূত কৰিছিল।

তৃতীয় দিনা পৰীক্ষা আৰম্ভ হোৱাৰ পূৰ্বেই পৰীক্ষাৰ্থী সকলক কলো যে কাৰোবাৰ হাতত যদি নকলৰ টুকুৰা কেতিয়াও আছে, তেন্তে মোক দি দিয়ক নাইবা বাহিৰত পেলাই থৈ আহক। লগতে, অতি দৃঢ়ভাৱে কলো যে সেইদিনা প্ৰত্যেককে পাঠ্য পুথি চাই উত্তৰ লিখিবলৈ দিম। তাৰবাবে পৰিষদৰ ওচৰত দিবলগীয়া কৈফিয়তৰ সমস্ত দায়িত্ব মই বহন কৰিম। কিন্তু প্ৰত্যেকেই মোক প্ৰতিশ্ৰুতি দিব লাগিব ৬০%নম্বৰ পাব বুলি বহুতো পৰীক্ষাৰ্থীক সুধিলো, — "কোৱা, পাবানে, প্ৰত্যেকেই উত্তৰ দিলে,— "নাপাও ছাৰ।" মই কলো- "কিতাপ চাই উত্তৰ লিখিও যদি সিমান খিনি নম্বৰ নোপোৱা, ভুলকৈ লিখি অনা নকলৰ সামান্য টুকুৰা এটা চাই পৰীক্ষাত সফল হবা কেনেকৈ? তদুপৰি পৰীক্ষা ঘৰৰ পৰা বহিস্কৃত হবা, সমাজৰ চকুত নিন্দা আৰু ঘৃণাৰ পাত্ৰ হবা। তোমালোকৰ হাতত আমাৰ সমাজখনৰ, আমাৰ জাতিটোৰ ভৱিষ্যত। তোমালোকেই যদি সমাজখনক, জাতিটোক নিকা নকৰা, কৰিব কোনে? অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ ছবছৰীয়া আন্দোলনত ইমানবোৰ লোক ছহিদ হ'ল এটা চোৰ জাতি গঢ়িবলৈ কেনে?" লক্ষ্য কৰিলোঁ, বহুতো পৰীক্ষাৰ্থীৰ চকু থিয় হ'ল। ইজনে সিজনৰ চকুলৈ চালে। পৰস্পৰে কিবা কথা পাতিলে। দুজনমানে জেপৰ কাগজ উলিয়াই দিলে। অস্থায়ী প্ৰত্যাৱৰ্ত্তনালৈ গৈ বহুতেই নকলৰ কাকতবোৰ পেলাই অহাটো চকুত পৰিল। সেইদিনাৰ পৰা নকলৰ পয়োভৰ হ্ৰাস পালে।

প্ৰশ্ন ৩ ঃ কিন্তু, নকল কৰা পৰীক্ষাৰ্থী সকলক আপুনি নিয়মমতে বহিষ্কাৰ নকৰিলে কিয়? তেওঁলোককতো একেবাৰেই বহিষ্কাৰ কৰিব লাগিছিল।

উত্তৰ ঃ হয়, একেবাৰেই বহিষ্কাৰ কৰিব লাগিছিল। কিন্তু বহিষ্কাৰ কৰিলেই সমস্যাটোৰ সমাধান নোলায়। তেনেকৈ বহিষ্কাৰ কৰিলেই যে অন্যান্য পৰীক্ষাৰ্থীয়ে আকৌ নকল নকৰিব বা নকৰে, তাৰ নিশ্চয়তা নাই। আনহাতে, নকল কৰা পৰীক্ষাৰ্থী বোৰতো আমাৰে ভাই-ভনী ভাগিন-ভতিজা বা লৰা ছোৱালী। সিহঁততো আমাৰ সমাজৰ এটা অপৰিহাৰ্য্য অংগ। বহিষ্কাৰ কৰা মানেই সিহঁতক অসামাজিক হোৱাত ইন্ধন যোগোৱাহে হ'ব,



আমাৰ সমাজত দুষ্কৃতিকাৰীৰ সংখ্যা বঢ়োৱাহে হ'ব। দ্বিতীয় কথা হ'ল অসৎ উপায় অৱলম্বন কৰিবলৈ সিহঁতে সুবিধা পালে কেনেকৈ? তাৰ বাবে শিক্ষক, নিৰীক্ষক, অভিভাৱক, শিক্ষাব্যৱস্থা পৰীক্ষা পদ্ধতি— এই আটাইবোৰেই জগৰীয়া নহয় জানো? আমাৰ সমাজ ব্যৱস্থাটোও ইয়াৰ লগত জড়িত নহয়নে? সমাজত মূল্য বোধৰ অৱক্ষয় ঘটিছে। নীতি-দুৰ্নীতি, সাধুতা ভণ্ডামিৰ মাজৰ সীমাৰেখা নোহোৱা হৈ গৈছে। মুঠতে, আমি সকলোৱেই আমাৰ মনৰ পৰিবৰ্তন ঘটাব লাগিব। পৰীক্ষাৰ্থী বোৰৰো।

প্ৰশ্ন: পৰীক্ষা গৃহৰ ভিতৰত শিক্ষকৰ ভূমিকা কেনে হোৱা উচিত?

উত্তৰ: পৰীক্ষা গৃহৰ ভিতৰত শিক্ষকসকল নিৰীক্ষকহে। পৰীক্ষাৰ আৰম্ভনিতে তেখেত সকলে নিজে এটা গহীন আৰু পবিত্ৰ পৰিবেশ সৃষ্টি কৰিব লাগিব। এটা নিমাত-নিতাল পৰিৱেশ। কাৰণ, সেইটো শ্ৰেণী-কোঠা নহয়, পৰীক্ষা কোঠাহে। পৰীক্ষাৰ্থী সকলৰ যাতে মনোযোগ ভংগ নহয়, তাৰ বাবে শিক্ষক সকলে নিজৰ মাজতো উচ্চ স্বৰত কোনো ধৰণৰ কথা পতা অনুচিত। বহুতো নিৰীক্ষকে নিজৰ মাজত উচ্চ স্বৰত কথা পাতি পৰীক্ষা-গৃহৰ পৰিবেশ নষ্ট কৰে তেনে নিৰীক্ষকে পৰীক্ষাৰ্থীক মনে মনে থাকিবলৈ নিৰ্দ্দেশ দিয়াৰ অধিকাৰ হেৰুৱায়। কোনোবা পৰীক্ষাৰ্থীয়ে কথা পাতিলেও নিৰীক্ষক গৰাকীয়ে নীৰৱে সেই বিশেষ পৰীক্ষাৰ্থীৰ গৰাকীৰ কাষলৈ গৈ নীৰৱে তেওঁক কথা নাপাতিবলৈ সতৰ্ক কৰি দিয়া উচিত, সকলোৱে শুনাকৈ নহয়। তদুপৰি পৰীক্ষাগৃহত শিক্ষক নিৰীক্ষক সকল কোঠাটোৰ মাজত লৰচৰ নকৰাকৈ বহি থাকিলে পৰীক্ষাৰ্থীয়ে নকল কৰাৰ সুযোগ লওঁতে বা কথা পাতিবই। এই ক্ষেত্ৰত শিক্ষক নিৰীক্ষকগৰাকীৰ ব্যক্তিত্ব বা ভাবমূৰ্তিটোৰো ভূমিকা গুৰুত্বপূৰ্ণ।

প্ৰশ্ন ৫ ঃ ছাত্ৰ সন্থা আৰু আল্ফাই পৰীক্ষা গৃহৰ পবিত্ৰতা ৰক্ষা কৰিবলৈ আহ্বান জনোৱা দেখা গৈছে। এই আহ্বান কামত আহিছে বুলি আপুনি ভাবেনে?

উত্তৰ ঃ ছাত্ৰ সন্থা বা আল্ফাৰ আহ্বানৰ প্ৰতি এইবাৰৰ পৰীক্ষাৰ্থীসকলে সঁহাৰি জনাব বুলি বহুতেই আশা কৰিছিল। পিছে, এই আহ্বান যে ফলপ্ৰসু হোৱা নাই, তাৰ প্ৰমাণ বাতৰি কাকত কেইখনেই দিছে।

প্ৰশ্ন ৬ ঃ অসমৰ বিদেশী বহিষ্কৰণ আন্দোলন আৰম্ভ হোৱাৰে পৰা অসমৰ শিক্ষানুষ্ঠান সমূহত নকলৰ পয়োভৰ হ'ল বুলি অভিযোগ উত্থাপিত হৈছে। এই অভিযোগৰ সত্যতা কিমান?

উত্তৰ ঃ অভিযোগটো সম্পূৰ্ণ সত্য নহয়। ইয়াৰ পূৰ্বে অসম কলেজ শিক্ষক সংস্থাই ১৯৭৫ চনত নিজৰ দাবী পূৰণৰ অৰ্থে চলোৱা আন্দোলনৰ অংশ হিচাপে 'লোৱা' পৰীক্ষা বৰ্জন' কাৰ্য্যসূচীত তেতিয়াৰ কংগ্ৰেছ চৰকাৰেই এই বিষ-বৃক্ষৰ বীজ ৰোপন কৰি গ'ল।

প্ৰশ্ন ৭ ঃ নগাওঁ জিলাৰ কেইটামান পৰীক্ষা কেন্দ্ৰৰ বিষয়ে বহুত কথাই শুনা যায়। মুকলিভাৱে নকল কৰিবলৈ সেই কেন্দ্ৰ কেইটাত বোলে উদগনি দিয়ে অভিভাৱক আৰু শিক্ষকেই

OKDISCD

এনে পৰিবেশ কেনেকৈ সৃষ্টি হ'ল বুলি আপুনি ভাবে ?

উত্তৰ : অভিভাৱক আৰু শিক্ষকে নকল কৰিবলৈ পৰীক্ষাৰ্থীক উদগনি দিয়াৰ দৰেখীয়া ঘৃণনীয় কাৰ্য আৰু একো হ'ব নোৱাৰে। তেনে শিক্ষক আৰু অভিভাবক সেই নামৰ অযোগ্য আৰু সমাজৰো কলংক। তেনে পৰিবেশৰ বাবে দায়ী সেই সকলৰ নিকৃষ্ট মানসিকতা। তদুপৰি, ৰাজনৈতিক বিচাৰ-বিবেচনাৰে কোনোবা এটা অঞ্চলত পৰীক্ষা কেন্দ্ৰ এটা পাতিবলৈ অনুমতি দিয়াটোও এনে পৰিবেশৰ অন্যতম কাৰণ।

প্ৰশ্ন ৮ : নকল কৰি ধৰা পৰা পৰীক্ষাৰ্থীয়ে যেতিয়া শিক্ষকক অপমান কৰিবলৈ উদ্যত হয়, তেনে পৰীক্ষাৰ্থীয়ে কেনে ধৰণৰ শাস্তি পোৱাটো আপুনি বিচাৰে ?

উত্তৰ : সহ-পৰীক্ষাৰ্থীয়ে তেনে পৰীক্ষাৰ্থীৰ কাৰ্যক নিন্দা কৰিব লাগে আৰু গৰিহণা দিব লাগে, সংশ্লিষ্ট শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলে এটা নিৰ্দ্দিষ্ট সময়লৈ তেওঁক সামাজিক ভাৱে বৰ্জন কৰিব লাগে, তেনে পৰীক্ষাৰ্থীৰ পিতৃ মাতৃ বা অভিভাৱকে পৰীক্ষাৰ্থীজনৰ হতুৱাই শিক্ষকজনক ক্ষমা খোজাব লাগে। অধিকন্তু ঘৰৰ পৰা বহিষ্কাৰ কৰিব লাগে।

প্ৰশ্ন ৯ : চুপাৰ ভাইজিং বিষয়াৰ দায়িত্ব পালন কৰি আপুনি মানসিক ভাৱে শান্তি পাইছেনে ?

উত্তৰ : মোৰ কঠোৰতা আৰু দৃঢ়তাৰ বাবে কেন্দ্ৰটোৰ সৰহ সংখ্যক পৰীক্ষাৰ্থী আৰু কেইবাগৰাকীও নিৰীক্ষকে মোক বেয়া পাইছে বুলি মই অনুমান কৰিছো। সেই অনুমান যদি নিৰ্ভুল, অৰ্থাৎ তেওঁলোকে যদি বেয়া পাইছে, তেন্তে মই আনন্দিত, মই শান্তি পাইছোঁ। কাৰণ মই মোৰ স্বধৰ্ম উচিত ভাৱে পালন কৰিছোঁ।

(৯ পৃষ্ঠাৰ পিছৰ পৰা)

**কৰা কৃপা বাবা বিশ্বনাথ**

ইতিমধ্যে বাবা বিশ্বনাথ, নন্দী, ভৃঙ্গী, দেবীপুত্ৰ সমভিব্যাহাৰে জম্বুদ্বীপত আবিৰ্ভাব হ'ল। আস্তিক, নাস্তিক, বামপন্থীয়া, হৰিধ্বনিয়া, কেৱলীয়া, সহজীয়া উগ্ৰপন্থী, নৰম পন্থী, মধ্যম পন্থী, সহজপন্থী, কঠিন পন্থী, সকলোকে একাকাৰ কৰি জম্বুদ্বীপৰ খেলি মেলিবোৰ দূৰ কৰাৰ অৰ্থে হাতত ত্ৰিশূল লৈ বৃষৰ বাহনত উঠি বাবা বিশ্বনাথ পৰিভ্ৰমণত আহিল। আমাৰ বৰ-বোপাৰ মুখলৈ চেওঁ এসেপ আহিল। ৰাইজৰ আশা ভঙ্গৰ কথা, ৰাজপাট থৰক বৰক, সঙ্গী সকলাৰ আজল-মথালৈ। সৰু বোপা, হুঁতৰ খণ্ডৰ ভমক, দেখি বৰ বোপাই ঠাৰৰ কৰিলে একালত পাত্তা নিদিলেও এতিয়া বাবা বিশ্ব নাথৰ কৃপা ব্যতিৰেকে আৰু পৰিত্ৰাণৰ পথ নাই। বাবাৰ ওচৰত ভিক্ষাৰ জোলোঙা লৈ কৃপা ভিক্ষা কৰাৰ বাহিৰে গত্যন্তৰ নাই হেন জানি বাবাৰ সমীপত পূৰ্ব্বতে পাত্তা নিদিয়া অপৰাধৰ বাবে ক্ষমা মাগি বৰ বোপাই গদ গদ কণ্ঠেৰে তুতি কৰিবলৈ ধৰিলে

হে বাবা বিশ্বনাথ কৃপা কৰা তুমি  
কৰিছোঁ প্ৰাৰ্থনা বাবা শিৰে চুই ভূমি।  
তযু কৃপা অবিহনে নৰহে জীৱন  
একান্ত সেৱক ৰূপে কৰাহা গ্ৰহণ।  
তুমি বিনে বিশ্বনাথ নাহি মোৰ গতি  
তোমাৰ চৰণে সদা ৰত হওক মতি।  
পূৰ্বৰ অপৰাধ যত ক্ষমিয়োক স্বামী।  
দান্তে তৃণ তুলি লৈলোঁ দাস ভৈলো আমি  
ত্ৰাহি বাবা বিশ্বনাথ পশিলোঁ শৰণ  
সনাতন ভণে শুনা সভাসদ গণ।  
পাদ বঢ়া পাইলে নুদনুষিবা আমাসাক  
বিশ্বাস নভৈলে যদি পুছাহা বাবাক।



(আঠ পৃষ্ঠাৰ পিছৰ পৰা)

**বিপৰ্যস্ত……চিত্ৰ**

ভাৰতত কয়লা খননৰ ইতিহাস আৰম্ভ হয় ১৭৭৪ চনত, যেতিয়া ইষ্ট ইণ্ডিয়া কোম্পানীয়ে হিটলী আৰু ৰাণীগঞ্জত কয়লা খনন আৰম্ভ কৰে। কিন্তু ১৮২৮ চনত প্ৰিন্স দ্বাৰকানাথ ঠাকুৰৰ কৰ্তৃত্বত কৰ, টেগোৰ এণ্ড কোম্পানী প্ৰতিষ্ঠিত হোৱাৰ পিছৰ পৰাই ভাৰতবৰ্যত ব্যৱসায়িক উদ্যোগত কয়লা উৎপাদন আৰম্ভ হয়। ভাৰতবৰ্যত ১৯৭১ চনত কোকিং কয়লা আৰু ১৯৭৩ চনত নন-কোকিং কয়লা শিল্পক জাতীয় কৰণ কৰা হয়। বৰ্ত্তমান দেশৰ মুঠ ৪২৫ টা কয়লা খনিত প্ৰায় ৬ লাখ ৭৭ হাজাৰ জন কৰ্ম্মীয়ে কাম কৰে। কৰ্ম সংস্থানৰ ক্ষেত্ৰত কোল ইণ্ডিয়া পৃথিবীৰ বৃহত্তম সংস্থা। ইমান বিপুল সংখ্যক কৰ্মী কোনো সংস্থাতেই নাই।

কিন্তু আচলকথা হ'ল জাতীয়কৰণৰ পিছতো শ্ৰমিক সকলৰ অৱস্থাৰ কোনো পৰিবৰ্ত্তন নহ'ল। আজিও শ্ৰমিক সকল, বিশেষকৈ হৰিজন, আদিবাসী আৰু অন্যান্য অনুন্নত শ্ৰেণীৰ শ্ৰমিক সকল মাফিয়া দল আৰু ৰাজনীতিবিদৰ দ্বাৰা শোষিত হৈছে। কয়লাখনি অঞ্চলত ট্ৰেড ইউনিয়নৰ নামত চলে কেৱল শোষণ। উৎপাদন বৃদ্ধিৰ লগে লগে শ্ৰমিক সকলৰ সমৃদ্ধি ভাৰতবৰ্যত আজিও হোৱা নাই। কোল ইণ্ডিয়াৰ তথ্য অনুসৰিয়েই শ্ৰমিক সকলৰ বাসগৃহ, মুঠ চাহিদাৰ ৪৫·২ ভাগহে পুৰণ কৰা হৈছে। জাতীয় কৰণৰ সময়ত ই আছিল ২০ শতাংশ। আনহাতে বাসগৃহ সমূহো সম্পূৰ্ণ অস্বাস্থ্যকৰ। সৰু ছিদ্ৰহীন এই ঘৰবোৰত সূৰ্যৰ পোহৰ নোসোমায়। মেৰামতি একেবাৰেই নহয়। তদুপৰি বহু শ্ৰমিকেই থাকিবলৈ ঘৰ নাপায়। এনেকুৱা খনিও আছে, য'ত শ্ৰমিকৰ প্ৰাপ্যঘৰ কোনো অবাঞ্চিত ক্ষমতাধাৰী স্বাৰ্থন্বেষী ব্যক্তিয়ে দখল কৰি আছে। মহাজনী শোষণ ৰাজনীতিৰ কুটিল চকৰি মদ, মাইকী মানুহ, গুণ্ডাবাজী, এইবোৰৰ চক্ৰবেহুত আবদ্ধ কয়লাখনিৰ শ্ৰমিকৰ জীৱন— য'ৰ পৰা নিষিদ্ধ গলিৰ দৰে ইচ্ছা থাকিলেও এবাৰ সোমোৱাৰ পিছত ওলাই অহাৰ পথ ৰুদ্ধ।

এজন খনি শ্ৰমিকে দিনটোত সদায় আঠ ঘণ্টাকৈ কাম কৰিব লাগে। শ্ৰমিক সকলৰ দুটা শ্ৰেণী আছে। প্ৰথম শ্ৰেণীটোৱে পায় মাহে গড় প্ৰায় ১২০০ টকা। আনটো শ্ৰেণীয়ে দৈনিক মজুৰী পায় ৪২ টকাকৈ। দৈনিক শ্ৰমিক সকল চিকিৎসা, বীমা, অৱসৰ কালীন সুবিধা আদিৰ পৰা বঞ্চিত। ইয়াৰ উপৰিও, যদিও কোল ইণ্ডিয়া কৰ্তৃপক্ষই স্বীকাৰ নকৰে যে, শ্ৰমিক সকলক চুক্তি-সাপেক্ষ কাম কৰোৱা হয়, কিন্তু ১৯৮৪ চনৰ ১৮ ফেব্ৰুৱাৰীত ৰাজহাৰা কোলিয়াৰীত শ্ৰমিকৰ ওপৰত গুলি চালনা কৰাৰ ঘটনাই প্ৰমান কৰে যে, প্ৰায় সকলো কোলিয়াৰিতেই চুক্তি বদ্ধ শ্ৰমিক প্ৰথা এতিয়াও আছে। নিৰাপত্তাহীন ক্ষুব্ধ শ্ৰমিকে চাকৰি স্থায়ীকৰণৰ দাবীত বিক্ষোভ প্ৰদৰ্শন কৰা বাবে গুণ্ডা আৰু পুলিচবাহিনীয়ে নিৰ্বিচাৰে শ্ৰমিকৰ

(২৩ পৃষ্ঠাত চাপক)

GKDISCD

## আলফাৰ ভৱিষ্যত কি

(তিনি পৃষ্ঠাৰ পিছৰ পৰা)

বাৱস্থাত বিপ্লবী বুলি দাবী কৰা সংগঠন এটাৰ ভূমিকা কেনে হব লাগে সেই বিষয়ে কবলৈ মই উপযুক্ত মানুহ নহওঁ। তথাপিও কিন্তু এটা কথা অনুভব কৰো যে ভাৰতৰ নিপীড়িত শ্ৰেণীৰ ঐক্যৰ ভিত্তিত গঢ়ি উঠা শ্ৰেণী সংগ্ৰামৰ সফলতাইহে কেৱল অসমৰো শ্ৰমজীৱি, দুৰ্দশা ক্লিণ্ট মানুহৰ মুক্তি আনিব পাৰে।

**প্ৰশ্ন :** ৩) অসমৰ ঔপনিবেশিক শোষণ আৰু পুঁজিবাদ ধ্বংস কৰিবলৈ আলফাই বৰ্ত্তমান যি ব্যৱস্থা হাতত লৈছে সি যুক্তিসংগত হয়নে নহয়?

**উত্তৰ :** ভাৰতৰ বৃহৎ পুঁজিৰ বিৰুদ্ধে আলফাৰ যুদ্ধ অৱশ্যেই লক্ষ্য কৰিবলগীয়া। অসমৰ ঔপনিবেশিক শোষণ আৰু পুঁজিবাদ গভীৰ আলোচ্য বিষয়। কিন্তু ঔপনিবেশিক শোষণ আৰু পুঁজিবাদ ধ্বংস কৰিবলৈ আলফাই বৰ্ত্তমানে গ্ৰহণ কৰা ব্যৱস্থাই অৱশেষত বিজয় কঢ়িয়াই আনিব বুলি মোৰ মনে নধৰে। ঔপনিবেশিক শোষণ আৰু পুঁজিবাদ ধ্বংস কৰিবলৈ কেৱল হত্যা আৰু বন্দুকেই যথেষ্ট নহব। এক সঠিক ৰাজনৈতিক দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত শ্ৰেণী সংগ্ৰামৰ সফলতাইহে কেৱল এই শোষণৰ অন্ত পেলাব পাৰে বুলি ইতিহাসে আমাক শিক্ষা দিয়ে।

**প্ৰশ্ন :** ৪) সমাজ সংগঠনমূলক কামকাজৰ মাজেদি সংগঠনটোৱে ৰাইজৰ প্ৰিয় ভাজন হবও পাৰিছে। ভৱিষ্যতলৈ আলফাৰ এই জনপ্ৰিয়তা অক্ষুন্ন থাকিব বুলি আপুনি ভাবেনে? সংগঠনটোৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণা কেনেকুৱা?

**উত্তৰ :** সমাজ সংস্কাৰমূলক কাম কাজবোৰৰ জৰিয়তে জনপ্ৰিয় হয়তো হৈছে কিন্তু এই জনপ্ৰিয়তা অক্ষুন্ন থাকিব বুলি কব নোৱাৰি। কাৰণ ৰোগ নিৰাময়ৰ বাবে মূল ৰোগ নিৰ্ণয় হ'ব লাগিব আৰু সেইমতে চিকিৎসা হব লাগিব। সংগঠনটোৰ ভৱিষ্যত সম্পৰ্কে মানসিক ধাৰণাৰ কিবা মূল্য আছে বুলি মই নাভাবো। নীতি, আদৰ্শ, কৰ্মপন্থা আদিৰ ওপৰতহে সংগঠনটোৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। ৰাইজৰ সংগঠন হৈ থাকিবলৈ হলে ৰাইজৰ মাজৰ পৰাই নেতৃত্ব আহিব লাগিব। কিন্তু এটা কথা ঠিক যে বিপ্লৱী সংগঠন এটাৰ ভৱিষ্যত যাইকৈ নিৰ্ভৰ কৰিব সঠিক বিপ্লবী লাইনৰ ওপৰতহে। আজিৰ বিশ্ব পৰিস্থিতি ইমানেই জটিল যে অনগ্ৰসৰ অঞ্চল এটাত মুক্তিকামী কিছু যুৱকৰ এনে সংগঠন টিকাই ৰখা বৰ সহজ কথা নহয়। সঠিক ৰাজনৈতিক দৰ্শন আৰু সেইমতে সঠিক ৰণকৌশল অবিহনে এনে সংগঠনৰ ভৱিষ্যত অন্ধকাৰ। অৱশ্যে বাস্তৱ অভিজ্ঞতাই এনে সংগঠনক সময়ত যে সমৃদ্ধ নকৰিব তেনে কোনো কথা নাই। সঠিক শ্ৰেণী বিশ্লেষণ আৰু তাৰ জৰিয়তে শত্ৰু কোন মিত্ৰ কোন তাক বিচাৰ কৰাই যিকোনো বিপ্লৱী সংগঠনৰ প্ৰধান কাম। যাত্ৰা আৰম্ভ কৰিব লাগিব বাস্তৱ অভিজ্ঞতাৰ পৰাহে কোনো এক মানসিক ধাৰণাৰ পৰা নহয়। ○

---

### নিবেদন

বৰ্ত্তমান কাগজৰ বজাৰ মূল্য, ছপা ব্যয় ইত্যাদিৰ বাবে পূৰ্বৰ ২·০০ (দুই) টকা মূল্যত 'সূৰ্যস্নান' আপোনালোকৰ হাতত তুলি দিবলৈ আমি অপাৰগতা প্ৰকাশ কৰিছোঁ। এই সংখ্যাৰ পৰা 'সূৰ্যস্নান'ৰ মূল্য ৩·০০ (তিনি) টকা কৰিছোঁ। আশা কৰো সহৃদয় পাঠক পাঠিকা সকলে আগৰ দৰেই আপোনতাৰে গ্ৰহণ কৰিলে আমি কৃতাৰ্থ মানিম।

সম্পাদক।



(একৈশ পৃষ্ঠাৰ পিছৰ পৰা)

বিপৰ্যস্ত……চিত্ৰ

ওপৰত মাৰপিট আৰম্ভ কৰে। পুলিচৰ গুলীত কুন্তি আৰু জঙ্গলি চামাৰ বুলি দুজন শ্ৰমিক আহত হয়। কিন্তু পিছৰ দিনা পুলিচ আৰু জিলা কৰ্তৃপক্ষই গুলীচালনাৰ কথা অস্বীকাৰ কৰে। এই ঘটনাই খনি শ্ৰমিক সকলৰ ওপৰত চলা শোষণৰ প্ৰতি নতুনকৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

আইন অনুসৰি কোনো শ্ৰমিকে ইচ্ছা কৰিলে নিৰ্দ্ধাৰিত সময়তকৈ চাৰি পাচ বছৰৰ আগতেই স্বেচ্ছাই অৱসৰ লব পাৰে। এনেকুৱা ক্ষেত্ৰত সাধাৰণতে নিয়ম হ'ল। খালি ঠাইত শ্ৰমিকৰ পুত্ৰ অথবা জোৱায়েকক নিযুক্তি দিয়া এই ব্যৱস্থাৰ সুযোগ লৈও এশ্ৰেণী সুবিধাবাদীয়ে দুখীয়া অশিক্ষিত শ্ৰমিকক ভয় দেখুৱাই, প্ৰয়োজনত শাৰীৰিক অত্যাচাৰ কৰি ভুৱা মানুহ নিয়োগ কৰি অৰ্থ উপাৰ্জন কৰে। শ্ৰমিকক শাস্তি প্ৰয়োগ কৰি লিখাই লোৱা হয় যে, নিয়োগ কৰা জন তেওঁৰ পুত্ৰ বা জোৱাই। ধানবাদলৈ গৈ এনে কাগজ পত্ৰ চালে সমাজ সংস্কাৰক সকল নথৈ আনন্দিত হব যে, জাতি বৰ্ণৰ বন্ধন চিঙি উচ্চ বৰ্ণৰ ব্ৰাহ্মণ যুৱকে হৰিজন শ্ৰমিকৰ জীয়ৰীক বিয়া কৰাইছে। এই কাগজ পত্ৰৰ বিয়াৰ বাবে জোৱায়েক সকলক পাচৰ পৰা বিশ হাজাৰলৈকে টকা দিব লগীয়া হয়। তাৰ সলনি লাভ কৰে চাকৰিৰ অৱসৰ পত্ৰ। ১৯৮৪ চনতেই এই সম্পৰ্কীয় এক আমোদজনক ঘটনা ঘটে। বি. চি. চি এলৰ অতুলমাৰি খনিৰ তেৰজন শ্ৰমিক এমাহ ছুটী কটোৱাৰ পিছত কামত যোগ দিব গৈ দেখে যে, তেওঁলোকৰ ঠাইত তেওঁলোকৰ জোৱাই পৰিচয়ধাৰী তেৰজনে চাকৰি কৰা আৰম্ভ কৰিছে। শ্ৰমিক সকল স্বেচ্ছাই অৱসৰ গ্ৰহন কৰি তেওঁ লোকক চাকৰিৰ সুবিধা দিছে— কাগজে পত্ৰই প্ৰমান কৰে। হতভম্ব শ্ৰমিক সকলে মনে মনে নাথাকিল। ধৰা পৰিল—জালিয়াতিৰ ঘটনা। এনেকুৱা অলেখ ঘটনা। ইয়াৰ বাদেও অনেক সময়ত শ্ৰমিক সকলে স্বেচ্ছাই চাকৰি বেচে। মহাজন আৰু তথাকথিত নেতাৰ হাতত শোষিত হৈ মৃতপ্ৰায় শ্ৰমিক সকলে মহাজনৰ লাইচেন্স বিহীন বন্দুকৰ আগত তিষ্ঠিব নোৱাৰি চাকৰি বেচি পলাই গৈ প্ৰান বচায়। স্বেচ্ছা অৱসৰ গ্ৰহনৰ বাবে প্ৰয়োজন চিকিৎসকৰ "আনফিট চাৰ্টিফিকেট"। মহাজনে প্ৰথমে শ্ৰমিকক লৈ যায় ডাক্তৰৰ কাষলৈ। মহামান্য ডাক্তৰ বাবুয়ে তিনি হাজাৰৰ পৰা পাচ হাজাৰৰ টকালৈকে লৈ এখন 'আনফিট চাৰ্টিফিকেট দিয়ে। এই চাৰ্টিফিকেট হাতলৈ অহাৰ পিছত মহাজনে তেওঁৰ মনোনীত যুৱকজনক কব আবেদন কৰিবলৈ।

সুদখোৰৰ শোষণে কয়লাখনিৰ শ্ৰমিক সকলক অক্টোপাচৰ দৰে বান্ধিৰাখে যাৰ কঠোৰ বন্ধনৰ পৰা মুক্ত হবলৈ বিচৰা দিবাস্বপ্নৰ বাদে আন নহয়। অনেক শ্ৰমিকৰ বাৰ্ষিক শতকৰা তিনিশৰ পৰা চাৰিশ টকা পৰ্যন্ত হাৰসুদত চাকৰি বন্ধকত আছে মহাজনৰ মোনাত।

—(আগলৈ)